১৯৪৬ চনতে মোৰ প্ৰথম চুটিগল্প সংগ্ৰহ 'পৰশমণি' প্ৰকাশ হৈছিল। সংকলনটোৰ পুনৰ মুদ্ৰণ হৈছিল ১৯৬২ চনত। সেই সংগ্ৰহত মই ১৯৩৫-৪৫ৰ ভিতৰত লিখা আৰু তেতিয়াৰ আলোচনীত প্ৰকাশ পোৱা কেইটামান গল্প থুপাই উলিওৱা হৈছিল। ইয়াৰ ভিতৰত 'কাঠফুলা'ৰ নিচিনা দুই-এটা গল্প বৰ জনপ্ৰিয় হৈছিল। এই গল্পটো অন্যান্য ভাষাতো অনুবাদ হোৱাৰ উপৰিও ইয়াক অনাতাঁৰ মাধ্যমৰ যোগেদিও প্ৰচাৰ কৰা হৈছিল। এই গল্পটোৰ ভিত্তিত এখন কথাছবিও নিৰ্মাণ কৰা হৈছে। ৫০ বছৰৰ আগতে ৰচনা কৰা এই গল্পটোৰ আবেদন আজিও আগৰ নিচিনাই থকাটো মোৰ কাৰণে আনন্দৰ কথা।

প্ৰখ্যাত পুথি প্ৰকাশন প্ৰতিষ্ঠান লয়াৰ্ছ বুক ষ্টলে 'পৰশমণি' পুনৰ প্ৰকাশ কৰি উলিওৱাৰ কাৰণে আনন্দ পাইছো, আৰু তাৰ বাবে শ্ৰীখগেন্দ্ৰনাৰায়ণ দত্তবৰুৱাক ধন্যবাদ জনাইছো।

আশা ৰাখিছো যে পৰশ-মণিৰ গল্পকেটাই আজিৰ সাহিত্যপ্ৰেমী ৰাইজকো আনন্দ দিব পৰিব। পাঠকসকললৈ ধন্যবাদ।

চৈয়দ আব্দুল মালিক

কাঠফুলা

গলিৰ মূৰৰ সৰু লেতেৰা হোটেলখনৰ পৰা মমতাজ ওলাই আহিল। গলিটোও আন্ধাৰ, অলপ পৰৰ আগতে মাৰ-যোৱা জোনটোৰ অলপ পাতল পোহৰ আছিল; সেই পোহৰত মাথোন কোনোমতে বাটটো মনিব পাৰি, বিশেষ একো নেদেখি।

গলিটোৰ দুয়োকাষে ওখ-চাপৰ ঘৰবোৰৰ শাৰী। প্ৰায়বোৰ মানুহে লেম্-চাকি নুমাই শুইছে। দুই-এখন দোকানত মাথোন লেমৰ পোহৰ দেখা যায়। চাৰিওফালে নিঃশব্দ আন্ধাৰ।

চাৰিআলিটো ঘূৰিছে, – মমজাতে দেখিলে সন্মুখৰ পৰা লাহে লাহে কিবা এটা আগবাঢ়ি আহিছে। মমতাজে বেগাবেগীকৈ নিজৰ ভিতৰত সাহস গোটাই লৈ অলপ পৰ ৰ'ল! এবাৰ নিজৰ গাৰ শক্তিখিনিৰ কথা সুঁৱৰি ল'লে।

এনে গলিত, এনেকুৱা আন্ধাৰ ৰাতি লুকাই থকা গুণ্ডাৰ আক্ৰমণ অকণো নতুন কথা নহয়। মমতাজ অভ্যস্ত।

সন্মুখৰ পৰা অহা ছায়াটো প্ৰায় মমতাজৰ সন্মুখেই পালেহি। সিও যেন কিবা এটা ভাবি আহিছিল। হঠাৎ মমতাজৰ ওচৰ পাই, হতভম্ব হোৱাৰ দৰে সেই আন্ধাৰৰ ছায়া-মূৰ্তিটো আলিটোৰ একাষলৈ গ'ল। মূৰ্তিটো কাষলৈ যোৱা দেখি পিছফালৰ পৰা আক্ৰমণ কৰে বুলি লগে লগে মমতাজো ঘূৰিল। মূৰ্তিটো ৰৈ দিলে। মমতাজো ৰ'ল। মূৰ্তিটোলৈ মমতাজে ভালকৈ চালে, – পাতল আন্ধাৰত দেখিলে– মূৰত ওৰণি লোৱা এজনী তিৰোতা। মমতাজৰ কিন্তু প্ৰত্যয় নগ'ল। বহুত গুণ্ডাই এনেকৈ তিৰোতাৰ ভেশ ধৰি বাটত উপদ্ৰৱ কৰে। মমতাজ ঘূৰিব খুজিলে, কিন্তু ভয় হ'ল জানোচা ঘূৰিলেই তাক পিছফালৰ পৰা হঠাৎ আক্ৰমণ কৰে। সাহস গোটাই মমতাজ মূৰ্তিটোৰ অলপ কাষ চাপি গ'ল। মূৰ্তিটো একে ঠাইতে থিয় দি থাকিল।

এনেয়ে মমতাজে জেপত হাত দিলে। জেপৰ ভিতৰত তাৰ হাতত লাগিল– কেইটামান বিড়ি আৰু জুইশলাটো। সি অন্য সময়ৰ দৰে বিড়ি এটা জেপৰ পৰা উলিয়াই– জুইশলাৰ কঠীডাল জ্বলালে। বিড়িটো জ্বলাই, জুইশলাৰ কঠীডাল নুমাবলৈ লৈ হঠাৎ সি আগলৈ চালে– দেখিলে, মানুহজনী থক্থক্ কৰে কঁপিছে। এবাৰ ভালকৈ চাই লৈ মমতাজে অলপ ডাঙৰকৈয়ে ক'লে, "কোন?"

কোনো মাত নাই।

আকৌ মমতাজে চিঞৰিলে, "কোন?" এইবাৰ তাৰ মাত আৰু কৰ্কশ।

" – মই –" ভয়ত কঁপা মানুহজনীৰ মুখৰ মাতষাৰ কোনো মতে ওলাল।

"ক'ৰ পৰা আহিছ?"

নীৰৱ।

"হেই, তই ক'লৈ যাবি?"

"ক'ব নোৱাৰোঁ।"

এইবাৰ মমতাজ সন্ত্ৰস্ত হ'ল। নিশ্চয় কোনোবা গুণ্ডা!

"তই গুণ্ডা? জান, ময়ো গুণ্ডা" মমতাজে ক'লে আৰু একেচোঁচাই মানুহজনীৰ কাষ পালেগৈ। কঁপি কঁপি মানুহজনী থিয় হোৱা ঠাইতে বহি গ'ল। মমতাজে আকৌ এটা জুইশলাৰ কঠী জ্বলালে। অলপ আঁতৰিও আছিল– তাৰ ভয় লাগিল, কিজানি ভৰিৰ ফালৰ পৰা তাক আক্ৰমণ কৰে।

এইবাৰ কিন্তু সি দেখি আচৰিত হ'ল, গুণ্ডাটো সঁচাকৈয়ে এজনী ছোৱালী, ভয়ত ছোৱালীজনীৰ মুখখন শেঁতা পৰি বিবৰ্ণ হৈ গৈছে। ছোৱালীজনী ফাগুনমহীয়া বতাহত ইকৰা কঁপাদি কঁপিছে।

সাহ কৰি মমতাজ ছোৱালীজনীৰ ওচৰ চাপি গ'ল আৰু মাতটো আগতকৈ অলপ কোমল কৰি সুধিলে –

"এই, তই ক'ৰ মানুহ?"

ছোৱালীজনীয়েও হয়তো অলপ সাহস পালে। কিন্তু তাই ইমান কঁপিছিল যে তাই কথা ক'ব খুজিও ক'ব নোৱাৰিলে। মমতাজ অলপ পৰ ৰ'ল। কিবা এটা বৰ ততাতৈয়াকৈ ভাবি ল'লে, তাৰ পিছত ক'লে, "তই কোনটো গলিত থাক?"

আন্ধাৰতে মমতাজে দেখিলে, ছোৱালীজনীয়ে তাৰ মুখলৈ মুখ তুলি চাইছে।

মমতাজ আৰু তাইৰ উত্তৰৰ কাৰণে নৰ'ল। সি প্ৰায় আদেশৰ সুৰতেই ক'লে, "উঠ –"

ছোৱালীজনী বহাৰ পৰা কোনো মতে উঠিল।

"আহ –" সি ক'লে, আৰু খোজ ল'লে।

বিনা প্ৰতিবাদে, এখোজ-দুখোজকৈ ছোৱালীজনী তাৰ পিছে পিছে, আগেয়ে তাই অহা বাটটোৰেদি খোজ ল'লে।

তেতিয়া আন্ধাৰবোৰ ক্ৰমে ডাঠ আৰু গভীৰ হৈ আহিছে। গলিৰ দুয়োকাষৰ মানুহ সকলোবোৰ শুইছে। আকাশখনৰ দৰেই আলিবাটটোও ক'লা, গহীন – মৌন।

মাজে মাজে মমতাজে একোবাৰ ঘূৰি চায়, অকণো ইফাল-সিফাল নকৰাকৈ ছোৱালীজনী তাৰ পিছে পিছে আহি আছে। তাইৰ মুখলৈ নোচোৱাকৈয়ে সি তাইৰ শেঁতা মুখখন মনত পেলালে – এনেয়ে।

বাটৰ কাষৰ কোনোবা এখন দোকানৰ ডাঙৰ ঘড়ীটোত সি শুনিলে ৰাতি এক বজাৰ টং শব্দটো। একেদৰেই সি গৈ থাকিল। পিছে পিছে ছোৱালীজনী।

গলিটোৰ পৰা ফাটি যোৱা এটা সৰু বাটেদি সি ঘূৰিল। পিছলৈ ঘূৰি নোচোৱাকৈয়ে ক'লে, "এই পিনে।"

দুশ গজমান যোৱাৰ পিছত সি ৰ'ল। এশাৰী ঘৰৰ এমূৰৰ কোঠা এটাৰ কাঠৰ আধা-ভগা দুৱাৰখন হেঁচা মাৰি মেলিলে আৰু ছোৱালীজনীক ভিতৰলৈ মতাৰ নিচিনাকৈ ক'লে, "এইটো মোৰ ঘৰ –"

ছোৱালীজনী লাহে লাহে দুৱাৰ-ডলিটো পাৰ হৈ ভিতৰলৈ সোমাই গ'ল।

জেপৰ পৰা জুইশলাটো উলিয়াই সি এটা কাঠী মাৰিলে আৰু বিচাৰি বিচাৰি সক টিনৰ চাকিটো জ্বলালে।

দুৱাৰখন সি বন্ধ কৰি দিলে।

ছোৱালীজনীয়ে থিয় দি থকাৰে পৰা দেখিলে– মলিন অপৰিষ্কাৰ কোঠাটোৰ বেৰৰ কাষতে এখন তক্তাপোচ্– তাৰ ওপৰত কেখনমান মলিয়ন কাপোৰ, সেইখন বিছনা।

মমতাজে তাৰ বিছনাখন অলপ জাৰি-জোকাৰি ছোৱালীজনীক ক'লে, "মই ইয়াতে থাকো।" ছোৱালীজনীয়ে বুজিলে যে তাৰ অৰ্থ "তুমি ইয়াতে বহা, মোৰ চকী-তকী নাই।"

ছোৱালীজনী এখোজ-দুখোজকৈ আহি নিঃশব্দে বিছনাখনতে বহিল।

মমতাজে তাৰ গাৰ আল্কাতৰাৰ দাগ লগা খাকী কামিজটো খুলিলে আৰু বেৰখনৰ ওপৰলৈ দলি মাৰি থ'লে। কামিজৰ তলত থকা গেঞ্জিটোৰ ৰবণো প্ৰায় খাকীয়েই হৈ গৈছে। ভৰিৰ আধাপুৰণি জোতাযোৰো সি খুলিলে। খাকী পেণ্টটো সি খুলিব খুজিও নুখুলি অলপ ৰ'ল। আৰু ছোৱালীজনীৰ আগৰ পৰা চাকিটো নি সিটো কোঠালৈ গ'ল। সিটো কোঠা মানে বেৰখনৰ সিপাৰ।

আন্ধাৰতে ছোৱালীজনী বহি থাকিল। আগফালৰ দুৱাৰখন মৰা।

এলুমিনিয়ামৰ বদ্‌নাটোত এবদ্‌না পানী লৈ সি চাবোন ডোখৰ বিচাৰি হাত ধুবলৈ বহিল। হাতত অলপ পানী বাকিয়েই সি চাবোন আৰু পানী লৈ উঠি আহিল! আন্ধাৰতে পানীখিনি নি ছোৱালীজনীৰ ওচৰত থ'লে আৰু ক'লে, "এইয়া হাত-মুখ ধুবলৈ পানী –"

সি সিকোঠালিৰ পৰা চাকিটো লৈ আহি ছোৱালীজনী থকা কোঠাটোত থ'লেহি। আকৌ সি ছোৱালীজনীৰ মুখলৈ এবাৰ চালে। ছোৱালীজনীৰ মুখত তেতিয়াও পাণ্ডুৰ, বিৱৰ্ণ, ভয়ৰ কঁপনি। ভয়ে ভয়েই ছোৱালীজনী বহাৰ পৰা উঠিল, আৰু বদ্‌নাটো হাতত তুলি ল'লে।

হাতত চাকিটো লৈ, বাট দেখুৱাই দি মমতাজে ক'লে, "এইপিনে।"

হাত-মুখ ধুই ছোৱালীজনী আহি আকৌ বিছনাখনত বহিলহি।

মমতাজে ভিতৰত পানী বিচাৰিলে, আৰু পানী নাই। চাকিটোৰ ওচৰত তাৰ হাতকেখন চালে– দুয়ো হাতত তেল, আল্কাতৰাৰ ক'লা দাগ। সি বিশেষ অসুবিধাত পৰা যেন নেদেখুৱালে। তাৰ আল্কাতৰাৰ দাগত ক'লা খাকী পটলুনটোৰ টিকাতে সি হাত দুখন মোহাৰিলে।

কিবা এটা ভাবি সি অলপ পৰ ছোৱালীজনীৰ ফালে চাই থাকিল। তাই পিছত বেৰৰ ওপৰৰ কামিজটো আকৌ আঁজোৰ মাৰি নমাই আনি পিন্ধিলে।

সি সিকোঠালৈ গ'ল আৰু পিছফালৰ দুৱাৰখন ভালকৈ মাৰিলে। আকৌ সি ওলাই আহিল।

"একো ভয় নাই, মই বেগেতে আহিম –" সি ক'লে আৰু ছোৱালীজনীৰ মুখলৈ চালে। একো বুজিব নোৱাৰি ছোৱালীজনীয়ে আগৰ ভয়টোকে লৈ তাৰ মুখলৈ চালে। তাই দেখিলে, – সি মানুহটো যেন আগতকৈ বহুত নৰম হৈছে।

"চাকিটো নুমাই ৰখাহে ভাল, দৰকাৰ হ'লে"– মমতাজে জুইশলাটো উলিয়াই ছোৱালীজনীলৈ আগবঢ়াই দিলে। বাধ্যৰ দৰে ছোৱালীজনীয়েও হাত পাতি ল'লে আৰু একো নুবুজাৰ দৰে তাৰ মুখলৈ চালে।

"মই বেগেতে আহিম –" সি ক'লে আৰু বাহিৰৰ পৰা দুৱাৰখন ভালকৈ মাৰি আকৌ আন্ধাৰৰ বুকুত অদৃশ্য হৈ গ'ল। ছোৱালীজনীয়ে মাথোন সপোন দেখাৰ দৰে চাই থাকিল।

অলপ পৰৰ পিছত ছোৱালীজনীয়ে ফুঁ-মাৰি চাকিটো নুমালে আৰু অবুজ অনিশ্চিত উৎকণ্ঠা লৈ ঘৰটোৰ আন্ধাৰৰ মাজত নীৰৱে বহি থাকিল।

বহি থাকোঁতে তাই শুনিলে ক'ৰবাত দুই বজাৰ কোব– আন্ধাৰৰ মাজেদি কঁপি আহি শব্দটো ক'ৰবালৈ ওপঙি গৈছে।

প্ৰায় আধা ঘণ্টা পাৰ হৈ গ'ল। একো নুবুজি আৰু বুজিবৰ চেষ্টাও নকৰি, ছোৱালীজনী একে ঠাইতে নিৰ্জীৱ এটা শিলৰ মূৰ্তিৰ দৰে বহি থাকিল। ...

কেৰেক কৰে দুৱাৰখন হেঁচা মাৰি মেলি সি সোমাই আহিল। অলপ ভয়েৰে অন্য মানুহ বুলি আন্ধাৰৰ মাজেদিয়ে ছোৱালীজনীয়ে এবাৰ দুৱাৰখনৰ ফালে চালে। বুজিব পাৰিলে– সিয়ে।

সি আকৌ দুৱাৰখন হেঁচা মাৰি বন্ধ কৰিলে। সি নোকোৱাকৈয়ে ছোৱালীজনীয়ে এইবাৰ নিজেই জুইশলাটো মাৰি চাকিটো জ্বলালে, আৰু তাৰ ফালে চালে। কাগজৰ এটা টোপোলাত এটোপোলা মিঠাই আৰু এটা সৰু পুচি এপুচি চাহ।

মমতাজে মিঠাইৰ টোপোলাটো বিছনাখনৰ ওপৰতে ছোৱালীজনীৰ আগত মেলি ধৰিলে, আৰু চাহৰ পুচিটোও থৈ আকৌ চাকিটো লৈ– ভিতৰলৈ গৈ এটা পিয়লা আনিলে।

এইবাৰ সি ছোৱালীজনীৰ ফালে ভালকৈ চাই ক'লে– "হোটেলবোৰ সকলো বন্ধ হ'ল। কোনো মতে জগাই জগাই মিঠাইৱালা এটাৰ পৰা মিঠাইকে লৈ আহিলোঁ। কি কৰিম?"

মমতাজৰ এই কথাষাৰত যেন ছোৱালীজনী আচৰিত হ'ল। ছোৱালীজনীয়ে মিঠাই এডোখৰ মুখলৈ নিলে। তাৰ পিছত তাই তাৰ মুখলৈ চালে, আৰু প্ৰায় সহজভাৱেই ক'লে, "তুমি, তুমিও – অলপ খোৱা –"

"মই খালোঁ। মই অথনি হোটেলত খাই আহিলোঁ, ত– ত তুমিয়ে খোৱা –।" আগেয়ে 'তই' বোলা ছোৱালীজনীক 'তুমি' বুলি সি লাজ পোৱাৰ নিচিনা পালে যদিও, সি একো নেভাবিলে। পুচিটোৰ পৰা সি পিয়লাটোত চাহ বাকি ছোৱালীজনীৰ ফালে আগবঢ়াই দিলে।

"এটোপা চাহকে খোৱা –" ছোৱালীজনীয়ে ক'লে।

"তুমি খোৱাচোন বাৰু, থাকিলে মই খাম –"

ছোৱালীজনীয়ে একো নেমাতিলে। টোপোলা বান্ধি অনা কাগজখনকে মেলি তাতে ছোৱালীজনীয়ে মিঠাইখিনি দুভাগ কৰিলে– আৰু থিয় হৈ থকা মমতাজক ক'লে, "ইমানখিনি মই অকলে কেনেকৈ খাম।"

মমতাজে একো নক'লে। সি সিটো কোঠালৈ গ'ল, আৰু ক'ৰবাত বিচাৰি লুঙী এখন পিন্ধি পটলুনটো সলালে।

সি পানী নোহোৱা বদ্‌নাটো হাতত ল'লে আৰু আন্ধাৰে-মুন্ধাৰে গৈ পিছফালৰ টিউব্‌ৱেলটো ঘটং ঘটং কৰিব ধৰিলে।

ছোৱালীজনীয়ে ভয়ে ভয়ে মিঠাই আৰু চাহ খাবলৈ লাগিল।

মাজতে এবাৰ আহি সি চাবোন টুকুৰা বিচাৰি নিলেহি। হাত-মুখ ধুই এবদ্‌না পানী লৈ সি আকৌ সোমাই আহিল। কিবা এটা মনত পৰিয়ে যেন সি নিজৰ গাৰ ফালে চাকিটোৰ পোহৰত চালে, তাৰ কামিজ আৰু পটলুনত যে ইমানবোৰ দাগ-চেকা, ধূলি-মাকতি লাগি আছে, সি আজিহে দেখিলে।

অলপ মিঠাই কাগজখনতে টোপোলা বান্ধি থৈ ছোৱালীজনী বহাৰ পৰা উঠিল, আৰু হাত-মুখ ধুলে। মমতাজে কাপোৰ-কানিবোৰ ভালকৈ জাৰি-জোকাৰি বিছনাখন ভালকৈ পাৰিলে। তাৰ গিলিপ নোহোৱা তেল-লগা গাৰুটো অলপ ফাটিছিল, সেই কাৰণে সি বিছনা চাদৰখনৰ তলত গাৰুটো দিলে।

তিতা হাত-মুখ মোহাৰিবৰ কাৰণে ছোৱালীজনীয়ে ইফালে-সিফালে চাই, একো নেপাই, পিন্ধি থকা পুৰণি শাড়ীখনৰ আগটোৰেই মুখখন মোহাৰিলে।

বিছনাখন দেখি ভয়েৰেই ছোৱালীজনীয়ে আকৌ এবাৰ তাৰ মুখলৈ চালে। তাইৰ বুকুখন আকৌ ভয়ত কঁপি উঠিল। তাই যেন ফঁচী-কাঠৰ সন্মুখত মৰিব ধৰা কয়েদীৰ দৰে থিয় হৈ থাকিল।

সি সিটো কোঠালৈ গ'ল। আৰু ঘটংমটং কৰি ভগা, পুৰণি টিনৰ চুটকেছটো খুলি এখন কাপোৰ উলিয়ালে।

"... অকলশৰীয়া মানুহ, যেনে-তেনে পৰি থাকোঁ। তুমি ইয়াতে শোৱা। গাত কাপোৰ এইখনকে ল'বা।"

ছোৱালীজনীয়ে কি ক'ব তাই নিজেই বুজিব নোৱাৰিলে।

"ৰাতি ভালেমান হ'ল, শুই থাকা; আৰু কিবা লাগিব নে কি?"

মমতাজ আকৌ দুৱাৰখনৰ কাষলৈ গ'ল আৰু তাক ভালকৈ বন্ধ কৰিলে।

"আৰু একো নেলাগে –" ভয়ে ভয়ে ছোৱালীজনীয়ে ক'লে।

তাই কিবা এটা ক'বলৈ অলপ উচ্‌পিচালে, তাৰ পিছত কোনো মতে সেপ ঢুকি মৰসাহ কৰি ক'লে, –"তুমি, তুমি পিছে ক'ত শুবা –?"

"তুমি শোৱা বাৰু।" মমতাজে ক'লে। "মোৰ অলপ কাম আছে। ৰাতি বেছি নাযাও কিজানি।"

আকৌ ভয়ৰ এটা শিহৰণে ছোৱালীজনীৰ বুকুখন কঁপাই বাগৰি গ'ল। অগত্যা তাই শোৱাকে ঠিক কৰিলে।

তাই লাহে লাহে বিছনাখনত দীঘল দি পৰিল। আৰু সি দিয়া কাপোৰখন ভৰিৰ পৰা গালৈকে মেলি ল'লে।

"চাকিটো নিও দেই –" অনুমতি বিচৰাৰ সুৰত সি ক'লে।

"নিয়া –" সেপ ঢুকি ছোৱালীজনীয়ে কোনোমতে ক'লে, আৰু মৰাৰ সমান ভয়েৰে চকু দুটা মেলিয়ে পৰি থাকিল।

চাকিটো হাতত লৈ মমতাজ সিটো কোঠালৈ গ'ল– আৰু পিছফালৰ দুৱাৰখন বন্ধ কৰিলে। বিছনাৰ পৰাই ছোৱালীজনীয়ে সেৰেঙা বেৰখনৰ সিপাৰলৈ চালে। তাৰ পিছত মমতাজে বেৰৰ মূৰত থোৱা সৰু কঠখন নমাই আনি মাটিত পাৰিলে, আৰু চাকিটো একাষৰীয়াকৈ থৈ নামাজ পঢ়িবৰ কাৰণে থিয় হ'ল। বেৰৰ জলঙাইদি যি দেখিছিল, তাৰপৰা ছোৱালীজনীয়ে মমতাজে কি কৰিছে, তাৰ বিশেষ একো অনুমান কৰিব নোৱাৰিলে । তথাপি তললৈ পেট পেলাহি শুই, থুঁতৰিটো গুজি আন্ধাৰৰ মাজৰ পৰা ছোৱালীজনীয়ে বেৰৰ জলঙাইদি মমতাজে কি কৰিছে নীৰৱে চাই থাকিল। লাহে লাহে বেৰখনৰ বিন্ধাবোৰেদি সৰকি আহি মমতাজৰ মুখৰ দুষাৰমান কথা কাণত পৰিলহি– আৰবী ভাষাৰ সুললিত কিছুমান শ্লোক– পবিত্ৰ কোৰাণৰ কেইটামান আয়ত! চৌদিশ নিস্তব্ধ– গহীন, আন্ধাৰ নিশা; মমতাজৰ কণ্ঠৰ পৰা ওলোৱা বাণীত যেন জগতখনৰ বুকুৰেদি পবিত্ৰতাৰ এটা কোমল শান্ত ঢৌ বাগৰি গ'ল– "এহ্‌দিনচ্ছেৰাতল মোছ্‌তকিমা। ..."

... অৰ্থটো ছোৱালীজনীয়ে নুবুজে, কিন্তু মমতাজৰ ভক্তিকাতৰ মাতষাৰত এই পবিত্ৰ বাণীৰ মৰ্মটো ছোৱালীজনীৰ প্ৰাণটোৱে যেন সহজতে উপলব্ধি কৰিব পাৰিলে।

"প্ৰভো, সেই বাটেদি মোক নিয়া, যি বাটেদি তোমাৰ কৰুণা লাভ কৰোঁতাসকল গ'ল, সেই সত্য পথেদি মোক নিয়া। যি বাটেদি তোমাৰ অভিশপ্তদল গ'ল, সেই বাটে মোক নিনিবা।"

সেই নীৰৱ গহীন ৰাতি, মমতাজৰ বুকুৰ এই সৰল প্ৰাৰ্থনা যেন পৃথিৱীৰ সীমা অতিক্ৰমি সঁচাকৈয়ে এই চিৰজাগ্ৰত অনন্তজনক বিচাৰি আকাশৰ ফালে উৰি গ'ল।

মুহূৰ্তৰ কাৰণে ছোৱালীজনীয়ে পাহৰি গ'ল যে তাই এটা একেবাৰে অচিনাকি মানুহৰ ঘৰত, একেবাৰেই অচিনাকি এখন বিছনাত, এটা অনিশ্চিত ভৱিষ্যৎ লৈ শুই আছে। তাই আল্‌কাতৰাৰ দাগ লগা সেই খাকী কাপোৰ পিন্ধা খীণ মানুহটোৰ কথাও

পাহৰি গ'ল। আৰু তাই পাহৰি গ'ল যে মমতাজে পঢ়া সেই কোৰাণৰ কথাবোৰ তাই বুজি নেপায়। তাই অনুভৱ কৰিলে যেন সি অদৃশ্যজনৰ সন্মুখত কাতৰ কণ্ঠে কৰা প্ৰাৰ্থনাৰ সকলো ভাষা তাই বুজি পায়!

লাহে লাহে ছোৱালীজনীক টোপনিয়ে হেঁচি ধৰিলে। ...

পুৱা ৰ'দজাক আহি চকুত পৰিলত ছোৱালীজনী চক্‌মক্ খাই উঠিল। বিছনাখনতে বহি কেউপিনে চালে। কোনো নাই। ছোৱালীজনী বিছনাৰ পৰা নামিল। গাৰ অৱসাদ টোপনিয়ে বহুত কমাই দিছে। ছোৱালীজনী তাৰ পৰা ইটো কোঠালৈ আহিল। হঠাৎ দেখিলে– ৰাতি নামাজ পঢ়িবলৈ পৰা কঠখনতে কুঁচি-মুচি এটা কেঁচুৱা ল'বাৰ দৰে মমতাজ পৰি আছে, তাৰ বৰ টোপনি।

ছোৱালীজনী আকৌ তাইৰ বিছনাখনলৈ গুচি আহিল। মমতাজটোলৈ তাইৰ বেয়া লাগিল। বেচাৰাক তায়েই অকাৰণতে কষ্ট দিলে! কেনেকৈ মাটিত শুই আছে!

মমতাজে সাৰ পালে। বাহিৰত বেলিৰ পোহৰ দেখি সি ধহ্‌মহাই উঠিল। উঠিয়ে সি ছোৱালীজনীৰ কোঠাটোলৈ আহিল। ছোৱালীজনী উঠি বহি আছে।

"অ' তুমি উঠিলা –" সি ক'লে।

ছোৱালীজনীয়ে মাথোন তাৰ মুখলৈ চালে, একো নক'লে।

"মোৰ বৰ ভাল টোপনি আহিল –" ছোৱালীজনীয়ে নোসোধাকৈয়ে সি ক'লে। ছোৱালীজনীয়ে নিজেই বুজিব নোৱাৰাকৈ তাৰ কাৰণে অলপ বেদনা অনুভৱ কৰিলে। ছোৱালীজনীয়ে বুজিলে, তাক মাটিত শোৱা দেখি, তাই বেয়া পাব বুলিয়ে সি তেনেদৰে কৈছে।

সি পিছফালৰ দুৱাৰখন মেলিলে আৰু বদ্‌নাটো লৈ টিউবৱেল্‌টোৰ কাষলৈ গ'ল। তাৰ গাত আহি পুৱাৰ কেঁচা ৰ'দজাক পৰিলহি। ছোৱালীজনী বহাৰ পৰা উঠি আহি পিছ দুৱাৰেদি তাৰ ফালে চালে। – অলপ খীণ তাম বৰণীয়া মানুহটো, মূৰত একোছা আউলী-জাউলী দীঘল চুলি, গাত সেই তেলচিকটি আৰু আল্‌কাতৰা লগা খাকী কামিজটো, আৰু খাকী পেণ্টলুন্‌টো। বয়স অনুমান ২৭ বছৰ।

এক বদ্‌না পানী ভৰাই সি আহিল আৰু সি বদ্‌নাটো ছোৱালীজনীলৈ আগবঢ়াই দিলে। তাৰ আধা-ভগা টিনৰ চুটকেছ্‌টোত বিচাৰি সি এখন জাপি থোৱা গামোচা উলিয়ালে, আৰু ছোৱালীজনীক আনি দিলে।

ছোৱালীজনী হাত-মুখ ধুবলৈ বহিল।

মনে মনে সি সিটো কোঠাৰ পৰা চাহ-পুটিটো হাতত লৈ ওলাই গ'ল। ছোৱালীজনীয়ে গমকে নেপালে।

মুখখন মোহৰি অঁতাইছে– এনেতে এপুচি চাহ, এটোপোলা মিঠাই আৰু এটা পিয়লা হাতত লৈ মমতাজ সোমালহি।

অপৰাধীৰ দৰে মিঠাইখিনি বিছনাখনতে থৈ মমতাজে ক'লে, "অকলশৰীয়া মানুহ, খৰি-পানী গোটাই জুই ধৰি ৰান্ধি-মেলি খোৱা বহুত অসুবিধা। সেই কাৰণে হোটেলতে খাওঁ।"

ছোৱালীজনীয়ে একো নেমাতিলে। তাৰ মুখলৈ চালে মাথোন। টোপনি ভাল নোহোৱাৰ কাৰণে তাৰ চকু দুটা ৰঙা পৰিছে।

"কেইটামান বাজিল আন্দাজ? আঠটা বজাত মই কাৰখানা পাবঁগৈয়ে লাগিব।"

"অলপ আগতে সাতটা মাৰিছে –" ছোৱালীজনীয়ে ক'লে।

"অ' অলপ সময় আছে! মোৰো আকৌ বৰ টোপনি আহিল। অন্য দিনা পিছে আজিতকৈ সোনকালে সাৰ পাওঁ।"

"আজি শোৱা দেৰি হ'ল নহয়।" ছোৱালীজনীয়ে ক'লে।

"দেৰি? দেৰিতো একো নাই হোৱা। আন দিনাও মই সিমান পৰতহে শোওঁ। তোমাক যে শুবলৈ ক'লো, তাৰ পিছতে ময়ো শুলোঁ, অকণো বোৱা নাই –"

"কিয় নামাজ পঢ়া নাছিলা?"

"নামাজ? কোনে?"

"কিয়, তুমি!"

মমতাজ বহাৰ পৰা জাঁপ মাৰি উঠিল।

"তুমি দেখিলা নে কি?"

"দেখা নাই, শুনিলোঁ –"

"তুমি কিন্তু কাকো নক'বা দেই। ক'লে আৰু মই মৰিলোঁ –"

ছোৱালীজনীয়ে অলপ নুবুজাৰ দৰে তাৰ চকুলৈ চালে।

পিয়লাত চাহ-পানী বাকি বাকি সি ক'লে, "খোৱা, চাহ খোৱা –"

বিছনাখনৰ এমূৰে সি আৰু আনমূৰে ছোৱালীজনী বহি, কাগজখনৰ পৰা মিঠাই হাতত তুলি ল'লে।

খাই থাকোঁতে হঠাৎ এবাৰ মনত পৰি সি সুধিলে–

"অ' তোমাৰ নাম কি? তোমাৰ নাম আছে নহয়?"

"– বেদানা"

"অ' খোৱা। কালিৰ মিঠাইখিনি পেলাই দিয়া নে কি? মই লৈ যাম।"

চাহ পিয়লা বেগাবেগীকৈ খাই সি উঠিল। আৰু কামলৈ যাবলৈ ওলাল।

হাতৰ আঙুলিৰে তাৰ চুলিখিনি সি ঠিক কৰি ল'লে। "একো ভয় নকৰিবা। আগফালৰ দুৱাৰখন ভিতৰৰ পৰা মাৰি থ'বা। ভয় লাগিব নে কি?"

তাৰ মুখৰ ফালে চাই থাকি, ইহঁতৰ নিচিনাকৈয়ে বেদানাই ক'লে, "নেলাগে।"

সি ভূমুকি মাৰি বেলিটোলৈ চালে আৰু ক'লে, "থাকা, মই আহিম –"

সি ওলাই গ'ল। পদূলিমূৰৰ পৰা আলিটো উঠি সি হঠাৎ ৰ'ল আৰু ঘূৰি চিঞৰি ক'লে, "তোমাৰ নামটো কি বুলি ক'লা?"

পাতলকৈ এটা হাঁহি মাৰি বেদানাই অলপ চিঞৰিয়েই ক'লে, "বে দা না।"

"অ' মনত পৰিছে; মই আকৌ পাহৰি গৈছিলোঁ।" এইবাৰ আৰু সি নৰ'ল। ...

বেদানা ভিতৰলৈ সোমাই আহিল। সি কোৱা মতেই দুৱাৰখন ভালকৈ বন্ধ কৰিলে। তাৰ পিছত পিছ ফালৰ আহি দুৱাৰমুখৰ বননিডোখৰৰ কাষতে বহি বেদানাই কেউপিনে চালে।

লানি-পতা ঘৰৰ শাৰী। কিছুমান ঘৰত তিৰোতা মানুহ আছে, কিছুমানত নাই। দুয়োফালে তলা-চাবি মৰা। ভালেমান দূৰত দেখিলে, কিবা এটা কাৰখানাৰ মাস্তুলৰ ক'লা ধোঁৱা। হয়তো তাতে তেওঁ কাম কৰে– বেদানাই ভাবিলে। বতাহত থিউ, তেলত ভজা পিয়াঁজৰ আৰু কিবা তৰকাৰিৰ গোন্ধ আহিছিল। "সেইখন হোটেলতে তেওঁ খায়"– বেদানাই ভাবিলে। এটা কথা ভাবি বেদানাৰ বৰ লাজ লাগিল– তেওঁৰ নাম কি বেদনাই নেজানে, সুধিবৰো উপায় নাই। বেদানাই লাজ পালে।

বহাৰ পৰা উঠি বেদানা ঘৰটোৰ ভিতৰলৈ আহিল। মজিয়াখন মলিন, জেকা মাটিৰ, বেৰৰ কাষত কেঁচুমটা, ফটা কাগজ আৰু হাতমোহৰা মলিয়ন ফটাকানি। বেৰবোৰৰ মাটি কেতিয়াবাই এৰাই গৈছে। সেৰেঙা ইকৰাবোৰ এডাল এডাল হৈ গৈছে। বেৰবোৰৰ মূৰত মমতাজৰ চেকা-লগা কিছুমান কাপোৰ। কামিজ, পেণ্ট, গেঞ্জি, লুঙী। বোধহয় বেছি লেতেৰা হৈ যেতিয়া পিন্ধিব নোৱাৰা হয়গে, তেতিয়া ধোৱাৰ পৰিৱৰ্তে বেৰৰ মূৰতে দলি মাৰি থৈ দিয়ে।

বেদানা ভিতৰলৈ সোমাই আহি বিছনাখনতে বহিল। বিছনাৰ তলত ৰঙা কেন্‌ভাচৰ অলপ ফটা এযোৰ জোতা, এটোৰ ছিগা চেণ্ডেল আৰু বহুত ফটা কাগজ। বিছনাচাদৰ কৰি লোৱা কাপোৰখন মলিন, মাজে মাজে তেলৰ ক'লা দাগ লগা– হয়তো কেতিয়াবা ভাগৰ লাগি হাত-ভৰি নোধোৱাকৈয়ে শুই দিয়ে, –বিছনাচাদৰত দাগ লাগে। বিছনাখনৰ বেৰৰ ফালে লাগি থকা কাষটোত কিছুমান বিনা-পইচাত বিলোৱা ঔষধৰ কেটেলগ, কেলেণ্ডাৰৰ পৰা ফালি ৰখা পুৰণি ৰংচঙীয়া ছবি, আৰু চিনেমাৰ হেণ্ডবিল। বস্তুবোৰ দেখি অকলশৰে থকা সত্ত্বেও বেদানাই হাঁহিলে। তাই বিছানখনত ওপৰলৈ মুঁকে শুলে। চকু দুটা ডাঙৰকৈ মেলি ধৰি বেদানাই এনেয়ে চাই থাকিল। হঠাৎ তাইৰ মনত পৰিল হৈ যোৱা ভয়াবহ নিশাটোৰ কথা– আন্ধাৰ, জঘন্য, কদাকাৰ নিশাটোৰ কথা। দিনৰ পোহৰৰ মাজত যেন গোটেই ঘটনাটো বেদানাৰ এটা সপোন যেন লাগিল। আকৌ এবাৰ বেদনাই মমতাজৰ কথা মনত পেলালে। মমতাজৰ লগত তাই শুচি আহিল কিয়? তাৰ লগত তাই আছেই বা কিয়? তাইতো তাক অকণো নিচিনে। বেদানাই ভাবি নেপালে কিয় তাই ইয়াৰ পৰা গুচি যোৱাৰ নিঃসন্দেহ সুযোগ পায়ো, সেই কথাষাৰো একেবাৰেই ভবা নাই? তাই যেন সদায় ইয়াতেই আছিল, সদায় ইয়াতেই থাকিব। মমতাজেওতো তাকে ভাবিয়ে তাৰ ঘৰটোত অকলে তাইক এৰি গ'ল।

কথাবোৰ ভাবি ভাবি বেদানাৰ ভাল লাগিল।

"হেৰি, অ' হেৰি –?"

"কোন?"

"মইহে। দুৱাৰখন মেলি দিয়াচোন –"

বিছনাখনৰ পৰা উঠি গৈ বেৰৰ জলঙাইদি বেদানাই বাহিৰলৈ জুমি চালে। পাতলকৈ হাঁহিলে আৰু দুৱাৰখন মেলি, দুৱাৰমুখতে থিয় দিলে।

দুয়ো হাতত কিবা দুটা টোপোলা লৈ মমতাজ ভিতৰলৈ সোমাই আহিল। বেদানাই দুৱাৰখন আকৌ বন্ধ কৰিলে।

"মই আকৌ আহোঁতে আহোঁতে তোমাৰ নামটো পাহৰি গ'লোঁ, তুমি বেয়া নেপাবা দেই –"

কৰুণ এটা ধুনীয়া হাঁহি মাৰি সৰুকৈ বেদানাই ক'লে, "বেদানা।"

মমতাজে হাতৰ টোপোলাকেটা বিছনাখনৰ ওপৰতে থ'লে আৰু বৰ আনন্দত কোৰাদিয়ে ক'লে, "কাৰখানলৈকে মোৰ ঠিক মনত আছিল, পিছত পাহৰি গ'লো।"

বেদানাই পাতলকৈ হাঁহিলে।

মমতাজৰ দুয়ো হাতত তেলৰ চেকা।

বদ্‌নাটো লৈ সি আকৌ টিউবৱেলটোৰ ওচৰলৈ দৌৰ দিলে।

টোপোলাকেটাৰ কাষতে বিছনাত বহি বেদানাই লাহে লাহে টোপোলাকেটা মেলিলে। এলুমিনিয়ামৰ এটা চৰিয়াত ভাত, চীনা মাটিৰ বাটি দুটাত দুবাটি তৰকাৰি, এটা ডাঙৰ মগত দাইল, আৰু দুখন সুদা চীনা মাটিৰ বাচন।

বহাৰ পৰাই এবাৰ বেদানাই টিউবৱেলৰ ওচৰত মুখ-হাত ধোৱা মমতাজৰ ফালে চালে। আৰু বাচন দুখনত ভাতখিনি দুভাগ কৰি উলিয়ালে। অলপ দাইল এখন বাচনত বাকি দি বাকীখিনি মগটোতে ৰাখিলে।

এবদ্‌না পানী লৈ মমতাজ সোমাই আহিল। পেণ্টৰ তলত সুমুৱাই ৰখা খাকী কামিজটোৰ আগডোখৰ টানি উলিয়াই, তাৰেই সি তাৰ মুখখন মচিলে।

"অ' ভাত উলিয়াইছা –"

কৈ কৈ সি বিছনাখনতে বহিল।

"মোৰ আকৌ বাচন-বাটি একো নাই। হোটেলতে সদায় খাওঁ। বাচন-বাটিনো কেলেই –"

ভাতৰ গৰাহ মুখলৈ নি সি ক'লে।

"খোৱা, তুমিও খোৱা, তুমি দেখোন খোৱাই নাই। মইতো হোটেলতে খাই আহিব পাৰিলোঁহেঁতেন। তোমাৰ কাৰণেহে ইয়ালৈকে লৈ আহিলোঁ –"

ভক্তি আৰু মৰমেৰে বেদানাই মমতাজৰ মুখলৈ চালে আৰু অলপীয়াকৈ হাঁহি ক'লে, "তুমি খোৱাচোন, মই পিছতো খাম। তোমাৰ আকৌ যাব লাগিব নহয় –"

"এৰা, মই আকৌ যাব লাগিব।" দুগৰাহমান খাই সি আকৌ ক'লে – "নহয়, তুমিও খোৱা। বাচন-বাটিবোৰ আকৌ লৈ যাব লাগিব নহয়। চিনাকি কাৰণেহে দিছে।" সি যেন হোটেলৱালাটোৰ ওচৰত বৰ কৃতজ্ঞ।

বেদানায়ো ভাতৰ বাচনখন নিজৰ কাষলৈ টানি নিলে।

মাজে মাজে একোবাৰ বেদানাই তাৰ মুখৰ ফালে চায়, আকৌ তলমূৰ কৰে। সিও একোবাৰ বেদানাৰ ফালে মূৰ তুলি চায়, আকৌ তলমূৰ কৰি ভাতত গৰাহ ধৰে।

খাই উঠি বাচন-বাটিবোৰ হাতত লৈ মমতাজ টিউবৱেলটোৰ ফালে যাব খুজিলে, হাত মেলি বেদানাই ক'লে, "মোকে দিয়া, ময়ে ধুম।"

বেদানাৰ বাচন-বাটিবোৰৰ ফালে হাত মেলি মমতাজে ক'লে,–

"অ' দিয়া, তোমাৰ যোৰো বেগেতে ধুই আনো– মোৰ দেৰি হ'ব –"

বাচন-বাটি লৈ মমতাজ আৰু বেদানাৰ মাজত প্ৰায় কাঢ়া-আঁজোৰাই লাগিল। অৱশেষত বেদানা জিকিল। নিৰস্ত্ৰ হৈ মমতাজে ক'লে, "বাৰু পাৰা যদি ধোৱা। মই হ'লে নিজে দিয়া নাই। পিছত বেয়া নেপাবা –"

বেদানাই বাচন-বাটি লৈ টিউবৱেলটোৰ কাষলৈ গ'ল। গহীন হৈ মুখৰ হাঁহিটো লুকাই ৰাখিবৰ চেষ্টা কৰিলে।

.আগেয়ে ৰাখি অনা কাপোৰখনেৰেই বাচন-বাটিকেটা ৰাখি মমতাজ যাবলৈ ওলাল। হঠাৎ কিবা এটা মনত পৰি সি ৰ'ল – "ক'ৰবাত চক্‌মাটি নাই নে?"

"চক্‌মাটি? কেলেই?" বেদানাই ভাবিলে কাৰখানাত কিবা দৰকাৰ হ'ব পায়। দুয়োটাই ঘৰটোৰ ভিতৰত বিচাৰিলে – নাই –

"অ' হ'ব হ'ব। নেলাগে চক্‌মাটি– এই মাটিতেল পাইছোঁ, তাৰেই হ'ব –"

একো নুবুজি বেদানাই মাথোন তাৰ মুখলৈ চালে। ঘৰৰ এচুকৰ পৰা বৰ হৰষেৰে গলোৱা মাটিতেল থকা সৰু দীঘলীয়া টিনটো উলিয়াই আনি সি হাঁহি ক'লে, "ইয়াৰেহে ভাল হ'ব। ভালেই পালোঁ।"

পিছফালে গৈ সি মাৰি এডোখৰ বিচাৰি আনিলে। আৰু তাৰ মূৰতে সৰু ফটাকানি এডোখৰ পকাই পকাই ৰাখি সি টিনটোৰ মাটিতেলবোৰ ঘুঁটিলে। সি আগফালে বাহিৰলৈ ওলাই আহিল, কাঠৰ দুৱাৰখনৰ ফালে ঘূৰি তাৰে অলপ মিহি এডোখৰ ঠাই চাই ডাঙৰ আখৰেৰে লিখিলে "বে দা না"–

"কি কৰিছা?" বেদানাই সুধিলে।

"লিখি থৈছোঁ –"

"লিখি থৈছা? কি?"

"তোমাৰ নামটো।"

"মোৰ নামটো? ক'ত লিখিছা?" বেদানা অলপ ওচৰ চাপি আহিল।

– "এইয়া দুৱাৰত, ৰ'বা, তোমাক দেখুৱাম –" সি দুৱাৰখন ভিতৰফালে হেঁচা মাৰি দিলে। বেদানাই দেখিলে, তিনিটা ডাঙৰ ক'লা আখৰ, "বে দা না –"

"কেলেই লিখিলা মোৰ নামটো?"

"নহ'লে যদি পাহৰি যাওঁ –"

বেদানাই ধুনীয়াকৈ হাঁহিলে, একো নক'লে।

দুৱাৰখনত ধৰি হাতত টোপোলাটো লৈ যোৱা মমতাজৰ ফালে বেদানাই কিছুপৰ চাই থাকিল। তাৰ পিছত দুৱাৰখন বন্ধ কৰি ভিতৰলৈ গুচি আহিল।

অকলশৰে, বহুত পৰ, বহুত কথা ভবাৰ পিছত বেদানাই দেখিলে, আজিও মমতাজে তাইৰ বিষয়ে কোনো কথা জানিবৰ চেষ্টা নকৰলে। বেদানাই হাঁহিলে।

পিছ দিনা দেওবাৰ।

দিনটোৰ কাৰণে মমতাজৰ ছুটী।

শুই উঠাৰ পিছতে বেদানাই অভিযোগ জনালে– "মই আজিৰ পৰা বিছনাত নোশোওঁ –"

"কিয়? দুখ পাইছা? মোৰ আকৌ তুলী-তোষক একো নাই। সেইবোৰ ভালো নেপাওঁ। তুমি শুই দুখ পাইছা নে কি?" অসহায়ৰ দৰে মমতাজৰ মাতটো।

"ওঁ –"

বৰ ব্যথিতৰ দৰে মমতাজে বেদানাৰ মুখলৈ চালে। "মই আজিয়ে এখন তুলী আনিম –"

অলপ হাঁহি বেদানাই ক'লে, "মই মাটিত শুইহে ভাল পাওঁ। মই আজিৰ পৰা মাটিত শুম। তুমিয়ে বিছনাত শুবা –"

আজি ৰাতিও আগ ৰাতিৰ দৰেই মমতাজে সেই তাৰ সৰু নামাজ পঢ়া কোঠডোখৰতে শুই কটালে। বেদানাই কোনো প্ৰতিকাৰ কৰিব নোৱাৰিলে। "মই আগে-পিছেও মাটিত শোওঁ। মোৰ অভ্যাস আছে। মই এই দুৰাতি মাটিত শুই দুখ পাইছোঁ বুলি ভাবিছা নে কি? অকণো দুখ নাই পোৱা –" মমতাজে ক'লে।

"মই নথকা হ'লে তুমি মাটিত শুব নেলাগিলহেঁতেন নহয় –" বেদানাই যেন নিজক দোষী কৰিবৰ মনেৰে ক'লে।

"তুমি নথকা হ'লে? ... পিছে তুমিতো আছাই –"

"আছোঁ কাৰণেতো –"

"বাৰু বাৰু, মই আৰু এখন তক্তাপোচ্ আনিম, আজিয়ে আনিম।"

সপ্তাহৰ মূৰত দেওবাৰে মমতাজে গা ধোৱে। চাবোন আদিৰ যোগাৰ থাকিলে কেতিয়াবা দুই-এটা কাপোৰো ধোৱে। কিন্তু ক'ৰবাত যদি তাচৰ আড্ডা বহে, তেন্তে দিনটো তাতে কাটি যায়।

পুৱাতে ৰ'দজাক টানকৈ ওলাইছিল। বাহিৰৰ ফালে এবাৰ চাই মমতাজে, ক'লে– "ৰ'দজাক ভাল ওলাইছে। চাবোন এটুকুৰা অনা যাওক।"

সি উঠিল আৰু তাৰ কামিজটো পিন্ধিলে। ওচৰৰ দোকান এখনৰ পৰা সি এটুকুৰা কাপোৰ ধোৱা চাবোন আৰু এটুকুৰা ভাল গোন্ধোৱা গা-ধোৱা চাবোন আনিলেগৈ।

"তুমি গা ধুবা নে?"

"এৰা, খুব লাগিছিল।"

"এতিয়াই ধোৱা তেন্তে।" কৈয়ে সি টিউবৱেলটোৰ কাষ পালেগৈ।

"অ' ৰ'বা, এটা বাল্টি নহ'লে গা কেনেকৈ ধুবা!" আকৌ সি ওলাই গ'ল আৰু অলপ পৰৰ মূৰত হাতত এটা বাল্টি লৈ সোমাই আহিল। সি নাদটোৰ ওচৰলৈ গ'ল আৰু এক বাল্টি পানী তুলিলে। মমতাজৰ পিছফাল ডোখৰ টিনৰ চকোৱা দিয়া বেৰা। পৰ্দাৰ বিশেষ আৱশ্যক নাই।

তাৰ কথা মতে বেদানা নাদৰ পাৰলৈ বদ্‌নাটো লৈ গ'ল।

"নেলাগে, আজি নোধোওঁ –" হঠাৎ কিবা এটা সঙ্কোচত বেদানাই বদ্‌নাটো তাতে থৈ গুচি আহিল।

"নোধোৱা? ইমান ৰ'দ দিছে, ধোৱা গৈ, যোৱা, ধুলে ভাল লাগিব। মই কাপোৰ বিচাৰি দিম –"

পিন্ধি থকা চোলাটো আৰু শাড়ীখনৰ বাহিৰে বেদানাৰ আৰু কোনো কাপোৰ নাছিল। গা ধুই সলাবৰ কাৰণে তাইৰ একো নাছিল। মমতাজে যে কি কাপোৰ দিব, তাই ভাবি নেপালে। তথাপি সিয়ে বেজাৰ পায় বুলি বেদানা আকৌ গা ধুবলৈ নাদৰ পাৰলৈ গ'ল।

চুটকেছটোত বিচাৰি মমতাজে এখন ধুই থোৱা ধুতী, আৰু এটা হাত-নোহোৱা গেঞ্জি বিচাৰি পালে। সি উলিয়ালে। চুটকেছটো আকৌ সি বন্ধ কৰি থ'লে। ঘূৰি চালে– বেদানাই গাত পানী ঢালি, গাটো ঘঁহিছে!

"এ, মই চাবোন আনিছিলোঁ নহয় –"

সি গা-ধোৱা চাবোন টুকুৰা নি বেদানাক আগবঢ়াই দিলে। তিতা গাটোত কুঁচি-মুচি শাড়ীখন মেৰাই, লাজত ৰঙা পৰি বেদানাই চাবোন টুকুৰা হাত মেলি ল'লে।

গা ধোৱা হ'লতো তিতা কাপোৰেৰে মমতাজৰ আগলৈ উঠি আহিবলৈ লাজ কৰি, চুলিবোৰ এনেয়ে চেপি চেপি বেদানা নাদৰ পাৰতে বহি থাকিল।

এবাৰ ঘূৰি চাই মমতাজে ভিতৰৰ পৰাই সুধিলে, "আৰু পানী লাগে নেকি?"

"নেলাগে –" লাজত ৰঙা পৰি বেদানাই ক'লে।

"তেনেহ'লে উঠি নাহা কেলেই? এইয়া কাপোৰ পিন্ধা, অথনিকৈ অন্য কাপোৰ আনিব লাগিব।"

ধুতীখন আৰু গেঞ্জিটো বেৰৰ মূৰতে থৈ মমতাজ আগফালৰ কোঠালৈ ওলাই আহিল।

কাপোৰ সলাই বেদানা সোমাই আহিল। মমতাজে চকু দাঙি বেদানালৈ চালে। স্বচ্ছ, নিৰ্মল, ধুনীয়া মুখখন মমতাজে বৰ ধুনীয়া দেখিলে, বুকুৰে-পিঠিয়ে পৰি থকা বেদানাৰ পানী নুশুকোৱা তিতা চুলিবোৰৰ আগেদি এটোপা এটোপাকৈ পানী নিগৰি পৰিছিল। মমতাজে তাকো ভাল দেখিলে। বেদানাৰ লাহী হাত দুখনৰ লাহী আঙুলিকেটা মমতাজৰ বৰ মৰম লগা যেন লাগিল। তাৰ ধুতীখন পিন্ধা শুভ্ৰ বেদানাজনীক মমতাজৰ বৰ পৱিত্ৰ, বৰ নিৰ্মল যেন লাগিল।

"তুমি গা ধোৱাগৈ –"

"অ' ধোওঁগৈ, যাওঁ –"

মমতাজ বহাৰ পৰা উঠিল আৰু পিছফাললৈ গ'ল। তাৰ পৰাই আকৌ এবাৰ মমতাজে বেদানালৈ ঘূৰি চালে।

তাৰ কিবা এটা মনত পৰিল। সোলোকোৱা কামিজটো সি আকৌ পিন্ধিলে আৰু আগফালৰ দুৱাৰখন মেলি ওলাই গ'ল। বেদানাই কিবা সুধিবলৈ সময়কে নেপালে। ...

এবটল ৰঙা তিলতেল, এখন ফণি আৰু এখন ঘূৰণীয়া আৰ্চি লৈ মমতাজ সোমাই আহিল। আটাইকেইটা বস্তু বিছনাখনৰ ওপৰতে থৈ সি তাৰ গেঞ্জি, কামিজ খুলিলে আৰু নাদৰ পাৰলৈ দৌৰ দিলে।

"এইবোৰ ক'ৰ পৰা আনিলা?"

"দোকানৰ পৰা। চফুৰ দোকানী বৰ ভাল নহয় –" নাদৰ পাৰৰ পৰাই মমতাজে ক'লে।

"এইকেটাত কিমান ল'লে?" হাতত আটাইকেইটা বস্তু লৈ পিছফাললৈ আহি বেদানাই সুধিলে।

"ক'ব নোৱাৰোঁ। দাম কৰিবলৈকে নহ'ল। তাৰ হাতত মোৰ কম পইচা জমা আছে নে কি, আজি এধাৰ বছৰৰ পইচা। সি মোৰ লগত দামকে নকৰে –" গৰ্বেৰে কোৱা দিয়ে মমতাজে ক'লে।

বেদানাই একো নেমাতিলে। বিছনাখনলৈ আহি বেদানা বহিল আৰু আৰ্চিখনত এবাৰ নিজৰ মুখখন চালে। বেদানাই নিজক ধুনীয়াই দেখিলে। থিয় হৈ আকৌ এবাৰ বেদানাৰ সক আৰ্চিডোখৰত নিজৰ গোটেই মানুহজনী চাব খুজিলে। পিন্ধি থকা ধুতীখনৰ সক পাৰিটো, আৰু হাত নোহোৱা গেঞ্জিটো নিজৰ গাত দেখি বেদানাই অলপ হাঁহিলে।

দুটামান কাপোৰ ধুই মেলি দি, হঠাৎ কিবা এটা কথা মনত পৰি মমতাজে আহি ক'লে, "অ' তুমি চেণ্ডেল্ পিন্ধা নহয়?"

বেদানাই একো উত্তৰ দিবলৈ নৌপাওতেই মমতাজ আকৌ নাদৰ পাৰলৈ দৌৰি গৈ মূৰত পানী ঢালিবলৈ ধৰিলে।

গা ধুই আহি মমতাজে আকৌ তাৰ তেলৰ দাগ লগা কামিজ আৰু পটলুনকে পিন্ধিলে। আৰু কাপোৰ তাৰ নাছিল।

আজি বহুত দিনৰ মূৰত, তাৰ চুলিয়ে এই প্ৰথম ফণিৰ লগত কাজিয়া কৰিলে। ইয়াৰ আগতে আৰু কেতিয়া সি তাৰ মূৰ ফণিয়াইছিল, – হয়তো সি নিজেই ক'ব নোৱাৰে।

বেদানাৰ হাতৰ পৰা সি ফণিখন খুজি ল'লে আৰু চুলিবোৰ আঁচুৰি আঁচুৰি ক'লে, "ফণি এখন কিনিম বুলি বহুত দিনৰ পৰাই ভাবি আছিলোঁ।"

কথাষাৰ শুনি বেদানাই এটা শান্ত হাঁহি মাৰিলে।

আজি আকৌ এবাৰ বেদানাই মুক্তভাৱে মমতাজৰ মুখলৈ চালে। কৰ্মকঠোৰ মুখখনত বেদানাই দেখিলে এটা নিষ্কলুষ, শুভ্ৰ পৱিত্ৰতা। মমতাজৰ গোটেই মানুহটোক বেদানাৰ বিশ্বাস কৰিবৰ মন গ'ল!

গা ধুই উঠি বেদানাৰ অলপ ভোক লাগিল। হয়তো মমতাজৰো ভোক লাগিছিল। সি বহাৰ পৰা উঠিল আৰু ক'লে, "তুমি অলপ বহা দেই, মই ভাতকেইটা লৈ আহোঁ।"

বেদানাই অলপ অস্বস্তি অনুভৱ কৰিয়ে যেন ক'লে, "বাৰু"

সি থিয়দি অলপ ৰ'ল আৰু বেদানালৈ ঘূৰি চাই ক'লে, "তুমি হোটেলৰ ভাত খাই বেয়া পাইছা নে কি?"

কি ক'ব বেদানাই ভাবি নেপালে। তাৰ মুখলৈ চকু তুলি চালে মাথোন। ...

ভাত খাই উঠি মমতাজ বিছনাতে অলপ শুলে। বেদানা পিছফালে এনেই বহি থাকিল। শুবৰ ঠাই নাছিল। কিবা এটা কথা ভাবিবৰ কাৰণে, কিবা এটা কথা মমতাজক সুধিবৰ কাৰণে, কেইবাবাৰো বেদানাই উচ্পিচালে, কিন্তু নোৱাৰিলে। নেভাবিবৰ চেষ্টা কৰিও, তাই কেইবাবাৰো মমতাজৰ কথা ভাবিলে। ...

সন্ধিয়া যেতিয়া মমতাজ বজাৰৰ পৰা ঘূৰি আহিল, তেতিয়া প্ৰায় আন্ধাৰেই হৈছে। হাতত জুইশলা নথকাৰ কাৰণে বেদানাই চাকিটো জ্বলাব পৰা নাই। মমতাজ সোমাই আহিল, তাৰ হাতত এটা ডাঙৰ টোপোলা।

"বেদানা –" দুৱাৰমুখত ৰৈ সি মাতিলে। বেদানাই দুৱাৰ মেলি দিলে, সি সোমাই আহিল।

সি নিজেই চাকিটো জ্বলালে; আৰু বেদানাক ক'লে, "খোলাচোন চোৱা কি আছে –"

বিছনাৰ ওপৰতে বেদানাই টোপোলাটো মেলি বস্তুবোৰ এটা এটাকৈ উলিয়াবলৈ ধৰিলে। এযোৰ চেণ্ডেল এযোৰ ৰিহা-মেখেলা, দুটা ব্লাউজ, এটা সৰু পাউডাৰৰ টিন, এখন গা-ধোৱা তাৱেল, চাবি পইচাৰ বাদাম আৰু কিবাকিবি, এখন সংসাৰ।

"এইবোৰ কেলেই আনিলা?" মাতটোত আনন্দ বা বিৰক্তি একো প্ৰকাশ নকৰাকৈ বেদানাই ক'লে।

মমতাজ যেন বৰ আচৰিত হ'ল। সি মূৰ দাঙি বেদানালৈ চালে আৰু ক'লে, "কিয়? তোমাৰ ভাল লগা নাই?"

একেই গহীন মাতেৰে বেদানাই ক'লে, "মোৰ কাৰণে এইবোৰ কিনি কিয় পইচা খৰচ কৰিলা? তোমাৰ কিবা আৰু এইবোৰ দিবলৈ কোনো নাই নে?"

"নাইতো। কোন আছে? আৰু মোৰ কোন আছে? কোনোবা থকা হ'লে জানো মই গোটেই জীৱন, লোকৰ হোটেলত ভাত খাই কটাওঁ?"

এইবাৰ চকুত অনুকম্পা আৰু বিস্ময়-সানি বেদানাই তাৰ চকুলৈ চালে। দেখিলে সি মিছা কথা কোৱা নাই।

"সঁচাকৈয়ে তোমাৰ কোনো নাই নে কি?" মাতটোত সমবেদনাৰ কোমলতা সানি, টোপোলাৰ কাপোৰবোৰ লিবিকি-বিদাৰি বেদানাই সুধিলে।

"কোননো আছে? বোপাইকতো নেদেখিলোঁৱেই। বৌটি মৰোঁতে মই চাবি বছৰীয়া। বাবাৰ সম্পত্তিখিনি দদাইটিয়ে হজম কৰিলে। মোক দিলে খেদায়, আৰুনো কোন আছে?"

"মোৰো কোনো নাই।" হঠাৎ কথাৰ মূৰত কথাষাৰ কৈ দি বেদানা ৰৈ গ'ল।

"তোমাৰো কোনো নাই? কিয়?"

"আজি নহয়, আন এদিন –" হাঁহি বেদানাই ক'লে আৰু কথাৰ মোৰ ঘূৰাবৰ মনেৰে ক'লে, "মেখেলাখন হয় যদিও, চোলাটো যে মোৰ গাত হ'ব ঠিক নাই –।"

"পিন্ধি চোৱাচোন বাৰু। নহ'লে এতিয়াই সলাই আনিম।"

কাপোৰ-কানিখিনি সিটো কোঠালৈ নি বেদানাই বেগাবেগীকৈ পিন্ধিলে। তাৰ পিছত ওলাই আহিল।

"হ'ল নে?"

"চোলাটো অলপ ঢিলা হ'ল।"

"তেনে সলাই আনিব লাগিব –"

"নেলাগে থাওক, এইকেইদিন খাই শকত হম নহয়, তেতিয়া ঠিক হ'ব।" হাঁহি বেদানাই ক'লে।

মমতাজে চাকিটোৰ সৰু পোহৰত বেদানাৰ ফালে চালে।

চাকিটো অলপ একাষৰীয়াকৈ থৈ, বেদানাই লাহে লাহে ক'লে, "তোমাৰ তেনেহ'লে সঁচাকৈয়ে কোনো নাই?" বেদানাৰ মাতটো গভীৰ।

"এজনী বাই আছে হেনো, ক'ত আছে ক'ব নোৱাৰোঁ। আৰু কোনো নাই। কাৰখানাতে অত বছৰ কাটি গৈছে –" মমতাজে ক'লে।

"কেতিয়াবা পিছে তুমি বেমাৰ-আজাৰ পৰিলে?"

"তেতিয়া হাস্পতাললৈ যাওঁগৈ —"

দুয়ো মনে মনে থাকিল।

টোপোলাটোৰ মাজৰ পৰা বাদাম এমুঠি বিচাৰি লৈ বেদানালৈ আগবঢ়াই দি মমতাজে ক'লে, "খোৱা, বাদাম খাবলৈ মোৰ বৰ ভাল লাগে।"

একো নোকোৱাকৈ বেদানাই কেইটামান বাদাম তাৰ হাতৰ পৰা তুলি ল'লে। বাদাম চোবাই চোবাই, সিহঁতৰ মাজৰ নিস্তব্ধতাটো ভাঙিবৰ কাৰণেহে যেন বেদানাই ক'লে, "কাৰখানাত তুমি কি কাম কৰা?"

"ইঞ্জিনৰ কাম। ইঞ্জিন চলাব লাগে। কেতিয়াবা অন্য কামো কৰোঁ।"

সোধো-নোসোধোকৈ বেদানাই সাধাৰণভাৱে সুধিলে, "দৰমহানো কিমান দিয়ে?"

"ঢেৰ। এটা মানুহৰ কাৰণে যথেষ্ট। দিনে ডেৰশ টকা, খাই-বৈ মোৰ দহ-পোন্ধৰ টকা বাচি যায়।"

বেদানাই একো নক'লে।

মুৰ্মুৰ্ কৰি দুয়ো বাদাম চোবোবাত লাগিল।

★ ★ ★

ৰাতি ভাত-পানী খাই উঠি বেদানাই সুধিলে, —

"তুমি অকলেই আছা?"

"বহুত বছৰ —"

"আৰু কোনো নাই?"

"ৰখীয়াজন থাকে —"

"ক'ত থাকে?"

"ইয়াতে থাকে।"

"ইয়াতে? ক'ত? মই দেখোন নেদেখিলোঁ।"

"মযো দেখা নাই।"

"ধেৎ।"

"সঁচাকৈয়ে, মযো দেখা নাই। পিছে মই জানো, তেওঁ মোৰ ইয়ালৈ সদায় আহে, মই নেথাকিলে তেওঁ মোৰ ঘৰটো ৰখি থাকে, আৰু মই আহিলে মোক ৰাখে —"

"সঁচাকৈয়ে নে কি?" লে-নিয়া মাতেৰে বেদানাই সুধিলে, আৰু মমতাজৰ মুখখনলৈ চালে।

"সঁচাকৈয়ে, অত বছৰ তেওঁ মোৰ ইয়াতে আছে। কাৰখানাত কেতিয়াবা ক'ৰবাত দুখ পালে, তেওঁ মোক যিমান মৰম কৰে!"

"তেওঁনো কোনখিনিত থাকে?"

"অকলশৰীয়াবোৰ য'তে থাকে, তেৰোঁ তাতে থাকে।"

"— মিছা কথা —?"

"হুস্ তেনেকৈ নক'বা —"

মমতাজ বহাৰ পৰা উঠিল আৰু বিছনাখন জাৰি দি ক'লে, "তুমি শোৱা দেই, বেদানা —"

চাকিটো তাতে থৈ মমতাজ বদ্‌নাটো হাতত লৈ নাদৰ ফালে আগবাঢ়িল।

"বাল্টিত পানী আছে —" চিঞৰি বেদানাই ক'লে।

"বাল্টিত? অ' এৰা, আজি বাল্টি আনিলোঁ নহয় —" আনন্দেৰেই মমতাজে ক'লে আৰু বদ্‌নাত পানী ভৰাই অজু কৰিবলৈ বহিল। …

★ ★ ★

নিজ-ব্যস্ত সংসাৰৰ কোলাহলৰ মাজত মমতাজ আৰু বেদানাৰ সৰু কথাবোৰ লাহে লাহে মিলি যায়। কোনোৱে নজনাকৈয়ে বেদানা আৰু মমতাজ চিনাকি হৈ পৰে। সিহঁত সাধাৰণ হৈ পৰে, সহজ হৈ পৰে।

বেদানাই তাৰ গা ধোৱা, হাত-ভৰি ধোৱা পানী বাল্টিত তুলি ৰাখে, তাৰ তেল-চিকটি লগা কামিজটো ধুই দিয়ে, ঘৰটো সাৰি, মজিয়াৰ মুখখন অলপ পৰিষ্কাৰ কৰে আৰু সি কাৰখানাৰ পৰা আহিবৰ কাৰণে বাটচাই থাকে।

মমতাজে হোটেলৰ চাহ আনে, ভাত আনে, দোকানৰ পৰা বাদাম আনে, কাৰখানাৰ পৰা তেল, আল্‌কাতৰা আৰু 'ডিজেল অ'য়েলৰ' ক'লা চেকাবোৰ হাত, ভৰি আৰু কাপোৰত সানি আনে।

দুয়ো খায়, দুয়ো হাঁহে, দুয়ো কথা পাতে, দুয়ো মনে মনে থাকে।

তাৰ সকলো কামৰ শেষত, মমতাজে মনে মনে লুকাই নামাজ পঢ়ে, — তাৰ অদৃশ্য ৰখীয়াজনক সকাতৰে প্ৰণতি জনায়, আৰু সেইপিনেই তাৰ সৰু কঠডোখৰৰ ওপৰতে টোপনি যায়। তেতিয়া আৰু সি কাৰো কথা নেভাবে, — বেদানাৰ কথাও নেভাবে।

ব'দ-বৰষুণৰ মাজেদি সিহঁতৰ সৰু দিনবোৰ পুৰণি হৈ যায়। মমতাজে হিচাপ নকৰে, বেদানাই হিচাপ নেৰাখে।

শনিবাৰ।

আবেলি তিনিমান বাজিছে। বাহিৰত ব'দ। বেদানাহঁতৰ ঘৰৰ পিছফালে ব'দ পৰিছে। অলপ ঠাণ্ডা পৰাৰ কাৰণেই বেদানা আগফালে বিছনাখনতে বহি আছে। দুৱাৰখন কাণি-দুৱৰিকৈ মেলা। সেইপিনেদি বেদানাই আলিবাটেদি যোৱা মানুহবোৰ চাই আছে।

এবাৰ বেদানাৰ চকুত পৰিল, এটা মানুহে এভাৰ টৌ, ডেগ্‌ছি, কেৰাহী আৰু কাঁহ-পিতলৰ অন্যান্য সাজ লৈ বেচিবৰ কাৰণে গৈছে।

“হেৰা, এইপিনে লৈ আহাচোন –” দুৱাৰমুখলৈ আহি বেদানাই মানুহটোক মাতিলে।

মানুহটোৱে ঘূৰি চালে, অলপ ৰ'ল, তাৰ পিছত বেদানাহঁতৰ ঘৰলৈ আহিল। পাচিৰ পৰা লৈ লৈ ইটোৰ পিছত সিটো বস্তু বেদানাই চাই গ'ল। এটা সৰু ডেগ্‌ছি, দুটা বাটি, দুখন কাঁহী– এটা সৰু টৌ– বাছি বাছি, মিলাই মিলাই বেদানাই চালে, প্ৰত্যেকটোৰ দাম সুধিলে। আৰু ঠিক কিমানত দিব, তাকো সুধিলে। দৰ-দাম ঠিক হ'ল। কিন্তু বেদানাৰ হাতত এটা পইচাও নাই। মানুহটোৰ পাচিত থকা আৰু দুই-এটা বস্তুৰ কথা বেদানাই ক'লে, আৰু অলপ পৰ ৰৈ ক'লে, “তুমি কালিলৈ আকৌ আহিবা নহয়, এইপিনে?”

“কোনো ঠিক নাই। দৰকাৰ থাকিলে আহিবও পাৰোঁ।”

“নহয়, কালিলৈ তুমি এইপিনে আহিবা। কালিলৈ তেওঁ ঘৰতে থাকিব, তেওঁ নেথাকিলে মই অকলে ল'ব নোৱাৰোঁ।”

“অ' আপোনাৰ গিৰিহঁতৰ কথা কৈছে। বাৰু বাৰু, কি কথা আছে। কালিলৈকো আহিম। তেখেতনো ক'লৈ গ'ল?”

“কাম কৰিবলৈ –” লাজত ৰঙা-ছিঙা পৰি বেদানাই কোনো মতে ক'লে।

মানুহটো গ'লগৈ।

দুৱাৰখন বন্ধ কৰি বেদানা আহি বিছনাখনতে বহিলহি। ৰান্ধনিশালৰ ছবিটো চকুৰ আগত লৈ বেদানাই তাক বৰ ধুনীয়া দেখিলে। – সৰু দুটি আখা, চক্‌চকীয়া বাটি-কাঁহীবোৰ, সৰু টৌ-কেৰাহী, লোটা-চৰিয়াবোৰ, –কিমান ধুনীয়া! মমতাজ আহিব, – তাই তাক নিজে ৰন্ধা ভাতকেটা বাঢ়ি দিব, নিজে-ৰন্ধা তৰকাৰিকণ আগ-পাছ কৰি দিব, –খাই সি কিমান তৃপ্তি পাব!

নিজে ৰন্ধা, – কথাটো ভাবি বেদানাৰ বৰ ভাল লাগিল। মাইকী মানুহে হোটেলৰ ভাত খোৱা কথাষাৰ ভাবি যেন আজি বেদানাই বৰ লাজ পালে। তাই নিজে ৰান্ধিব, তাইৰ কাষতে বহি মমতাজে খাব, এমুঠি ভাত খুজিব, অকণমান আঞ্জা খুজিব, কেতিয়াবা দিব খুজিলে নেলাগে বুলিব, – কিমান ধুনীয়া!

বেদানা সিটো কোঠালৈ গ'ল, আৰু কোনখিনিত কি কৰিব সকলো চালে– এইখিনিত আখা, এইখিনিত পানী-চাং, এইখিনিত খৰি-চাং, – এইখিনিত ...

হঠাৎ মমতাজৰ নামাজ পঢ়া কঠখন চকুত পৰিল। “আ এইখিনিত যে তেওঁ নামাজ পঢ়ে, ইয়াতে যে তেওঁ শোৱেও। ইয়াত সেইবোৰ কৰিলে তেওঁ ক'ত নামাজ পঢ়িব? ক'ত শুব? ... ক'ত শুব? ...”

“আজিকালি দেখোন আমাৰ হোটেলত নোখোৱা হ'লা?” হোটেলৱালা ইয়াচিনে বাট ভেটি ধৰি মমতাজক সুধিলে।

“এৰা, আজিকালি ঘৰতে খাওঁ।”

“কোনে ৰান্ধেহে, বিয়া কৰালা নেকি?” হাঁহি ইয়াচিনে ক'লে।

“বিয়া– দূৰ্। বিয়া কৰাম কেনেকৈ। তেওঁ মোৰ সকলো কাম কৰি দিয়ে –”

“সঁচাকৈয়ে তোমাৰ ঘৰত আজিকালি কোনোবা থাকে নে কিহে? মই আকৌ

“সঁচাকৈয়ে তোমাৰ ঘৰত আজিকালি কোনোবা থাকে নে কিহে? মই আকৌ ধেমালিহে কৰিছিলোঁ। মই বোলো তুমি ক'ৰবাৰ অন্য হোটেলতহে খাইছা?”

“ক'ৰ অন্য হোটেলত খাম। আজি এযুগ তোমাৰ ইয়াতে খাইছোঁ, এতিয়া আকৌ ক'ৰ অন্য হোটেললৈ যাম। মোৰ পেটৰ কেঁচু-কুমটিয়েও তোমাৰ হোটেল চিনি পোৱা হ'লগৈ।”

ইয়াচিনে আনন্দ পালে। ক'লে, “বাৰু বাৰু, খাবা ঘৰতো, আহাঁ, আমাৰ তাত চাহ এটোপাকে খাই যোৱাহি। নোখোৱা হ'লা বুলি আকৌ আহিবলৈও নেৰিবা–”

ইয়াচিনে প্ৰায় টানিয়ে মমতাজক হোটেললৈ লৈ গ'ল।

★ ★ ★

অতীতটো অকণো নিবিচাৰি, ভৱিষ্যতটো অকণো নেটানি, বৰ্তমানক লৈ থাকে, বেদানা আৰু মমতাজ দুয়ো। সিহঁত দুয়ো জানে, – অতীত সিহঁতৰ দুখ লগা, করুণ; ভৱিষ্যৎ সিহঁতৰ অনিশ্চিত, অনাগত; দুদিনৰ বৰ্তমানটো সিহঁতৰ নিজা। সিহঁতে জানে– অতীতৰ মাজলৈ ঘূৰি গৈ সিহঁতে অকণো সুখ নেপায়, এফেৰিও শান্তি নেপায়। ভৱিষ্যতটোৰ কথা ভাবিয়েইবা লাভ কি? সেই পথৰ এটা ধূলিৰ কথাও সিহঁতে নেজানে। তাত এটা খোজো দিওঁ বুলি সিহঁতে দিব নোৱাৰে। কাৰখানাটো চলি আছে, তাৰ ইঞ্জিনটোৰ চকাবোৰ চলি আছে, আৰু তাৰ লগে লগে চলি আছে মমতাজ। ছদিন কাম, দেওবাৰ ছুটী। সৰু আখাটোৰ সৰু ডেগ্‌ছিটোৰ ওপৰত চাউল দুমুঠি বাকি দি বেদানাই সিহঁতৰ বৰ্তমানটোকে মাথোন উতলা কৰি ৰাখিবলৈ বিচাৰে।

বিছনাখনত বেদানাক শুবলৈ দি, গভীৰ ৰাতি মমতাজে তাৰ চিৰদিনৰ ৰখীয়াজনৰ আগত দুয়োহাত তুলি কয়, “... এনেকৈয়ে মোৰ দিনবোৰ যাওক যেন খোদা। জীৱনত তুমি মোক বহুত মৰম কৰিছা, সেই মৰমৰ মাজতে আমাক থাকিবলৈ দিয়া ...”

গভীৰ নিশাৰ তাৰ এই প্ৰাৰ্থনা জগতৰ আন কোনোৱে নুশুনে।

“ ... বেদানাই বহুত দুখ পাইছে, তাইৰ কোনো নাই, ... তুমি তাইক আৰু দুখ নিদিবা ...”

সেইপিনেই মমতাজ টোপনি যায়।

মমতাজে ভাবে– বেদানা বৰ নিঃসহায়, বৰ দুৰ্বল, বৰ অকলশৰীয়া, তাতকৈও অকলশৰীয়া। আৰু সি ভাবে, সি নহ'লে বেদানা ক'ৰবাত হেৰাই যাব ... ক'ৰবাত মৰি থাকিব, ক'ৰবাত নাইকিয়া হৈ যাব; সেয়ে তাৰ সকলো মৰম দি, তাৰ সকলো ঐশ্বৰ্য দি সি বেদানাক আঁকোৱালি ধৰি ৰাখিব খোজে! বেদানাৰ কাৰণে তাৰ ঘৰটো বৰ ধুনীয়া কৰি পেলাবৰ মন যায়, তাৰ সকলো পইচা খৰচ কৰি পেলাবৰ মন যায়, তাৰ গোটেই জীৱনটো খৰচ কৰি পেলাবৰ মন যায়!

এতিয়া আৰু সি ক'ৰবাৰ পৰা আহি বেদানাৰ নামটো দুৱাৰত পঢ়ি শুঁৱৰিব নেলাগে। নামটো তাৰ মনৰ দুৱাৰত লিখা পৰি গৈছে। ...

পিছফালৰ কোঠালিটো মমতাজহঁতৰ বান্ধনি-শাল। নতুনকৈ কিনা চাপৰ অকণমান মুঢ়াটোত বেদানা বহে, এডালি এডালিকৈ চকৰ তলৰ খৰি বঢ়াই দিয়ে। ওচৰতে কঠখন পাৰি বহি মমতাজে চাই থাকে। ৰঙা জুইকুৰা, উতলা বগা ভাত, জুইৰ পোহৰত ৰঙা পৰা বেদানাৰ মুখখন, আৰু ওলমি আহিব খোজা বেদানাৰ দীঘল চুলিখিনি, মমতাজৰ বৰ ভাল লাগে। সি একো নকয়, এনেয়ে চাই থাকে। বেদানাই চকুত হাঁহি লৈ তাঁলৈ চায়, ভাতখিনিলৈ চায়, কিবা এটা ক'ব খোজে, আৰু নকৈ মুখটিপি হাঁহে।

... মমতাজহঁতৰ ঘৰৰ দুয়োখন দুৱাৰ মৰা। টিপ্‌চাকিটো অকলশৰে জ্বলি থাকে। বাহিৰত ঘন, ক'লা আন্ধাৰ। ভিতৰত জুইৰ ওচৰত বহি মমতাজ আৰু বেদানা।

লাহে লাহে মমতাজে কৈ যায়– তাৰ কাৰখানাটোৰ কথা, হোটেলত ভাত খোৱাৰ কথা, তাৰ গলিটোৰ তাৰ চিনাকি মানুহবোৰৰ কথা। সি কয় তাক মানুহবোৰে কেনেকৈ ভাল পায়, কিমান ভাল পায়! আৰু সি কয় – বেদানা অহাৰ আগতে তাৰ জীৱনটো কেনেকুৱা আছিল, চন্দ্ৰৰ দোকানীৰ তাত তাৰ কিমান টকা জমা আছে; আৰু সি ঈদত কি নতুন কাপোৰ কিনিব!

কুড়ি মাছটোৰ বাকলি গুচাই বেদানায়ো কৈ যায়, – কি টেঙা তাইৰ ভাল লাগে, কোন কোন মানুহে তাইক চিনি পায়, তাই কিমান মানুহক চিনি পায়। কথাৰ মাজতে তাই কৈ দিয়ে – কেনেকৈ তাই 'অৰ্ফেনেজ'ত থাকিবলৈ পালে, কেনেকৈ তাই তাৰ ল'ৰা-ছোৱালীবোৰৰ লগত খেলিছিল, আৰু তাত তাইক কি কি কৰিবলৈ শিকাইছিল। ... দেৱদাস নামে ল'ৰা এটাৰ লগত তাই নিতৌ খেলিছিল, সি আছিল বৰ নিৰ্জু আৰু বৰ ধুনীয়া; হঠাৎ তাই কৈ দিয়ে, কিয় সেইদিনা ৰাতি তাই পলাল, কেনেকৈ তাই অৰ্ফেনেজৰ প্ৰ'প্ৰাইটৰৰ অভিসন্ধিবোৰ গম পালে, জমিদাৰৰ ল'ৰাটোৱে অৰ্ফেনেজ চাবলৈ আহি কিয় তাইক বহুত কথা সুধিছিল।

কথাবোৰ কৈ কৈ নিজেই লাজ পাই বেদানা ৰৈ যায়। মমতাজেও যেন বেদানাৰ এই কথাবোৰ জানিব নোখোজে। সি অন্য কথা কয়, – সি মাথোন বুজে বেদানাৰ পুৰণি দিনবোৰ বৰ দুখেৰে ভৰা। তাত ক'তো সুখৰ কথা নাই। ...

কেইটামান টান ব'দ মাৰিছিল। সেইদিনা দুপৰীয়া ভাত খাবলৈ আহি মমতাজে ভাত বেছি খাব নোৱাৰিলে।

"মূৰটো বৰ কামুৰিছে –" সি ক'লে আৰু বেদানাৰ বিছনাখনতে আহি দীঘল দি পৰিল।

"এটোপা চাহপানী খাবা নে কি?" বেদানাই সুধিলে। "চাহপানী – অ' এটোপা দিয়াচোন – কিজানি ভালেই পাওঁ। –"

বেদানাই বেগাবেগিকৈ এটোপা চাহ কৰি তাক আনি দিলে, সি পি খালে। কাষতে থিয় দি থাকি বেদানাই তাৰ মুখৰ ফালে চালে, তাৰ মুখখন ৰঙা পৰিছে!

"এইবেলা তুমি আৰু কামলৈ যাব নেলাগে –"

"এৰা –"

চকু দুটা মুদি মমতাজ পৰি থাকিল। বান্ধনি-শাললৈ গৈ বেদানাই অলপ পানী গৰম কৰিলে আৰু বদ্‌নাটোত ভৰাই আনি ক'লে, "তোমাৰ ভৰি-হাতবোৰ অলপ ধুই লোৱা, – গৰম পানী দিছোঁ –"

মমতাজ উঠিল– আৰু পানী লৈ হাত-মুখ ধুবলৈ পিছফালে দুৱাৰমুখত বহিল। আনদিনাৰ দৰে বেদানাই তাৰ হাতত পানী বাকি দিলে, সি ধুলে। সি বহি থকা ঠাইতে ভালেমান পৰ বহি থকা দেখি বেদানাই ক'লে, "উঠা আকৌ, ইয়াতে বহি আছা কেলেই?"

সি উঠিল– তাৰ যেন ভৰিবোৰ কঁপিছিল! আকৌ আহি সি বিছনাত পৰিলহি। নিজৰ কপালখনত হাত দি চাই মমতাজে ক'লে, "মোৰ জ্বৰ উঠিছে হ'ব পায় –।"

বেদানা তাৰ কাষ চাপি আহিল, আৰু কঁপা কঁপা হাতেৰে তাৰ কপালখন চুই চালে। তাৰ গাটো জুই যেন তপত। কপালৰ পৰা হাতখন নুগুচোৱাকৈয়ে বেদানা তাৰ কাষতে বহি পৰিল।

"তোমাৰ জ্বৰ উঠিছে –" ভয় আৰু মৰমেৰে বেদানাই ক'লে।

"আজি দুৰাতিমান মোৰ ভাল টোপনি অহা নাছিল, সেই কাৰণেই উঠিছে কিজানি –" দুৰ্বল মাতেৰে মমতাজে ক'লে।

ভাল টোপনি নহাটোত বেদানা কোনো আচৰিত নহ'ল। বহুবাৰ, প্ৰত্যেকদিনে কোৱা সত্ত্বেও মমতাজে আৰু এখন বিছনাৰ যোগাৰ আজিলৈকে কৰি নল'লে। সি তাৰ কঠখনতে সদায় শোৱে। তাৰ উপৰি বহুতবাৰ বেদানাই নিজে মাটিত শুই, তাক খাটখনত শুবলৈ অনুৰোধ কৰিলে, কাজিয়া কৰিলে, জেদ কৰিলে, সি নেমানিলে। কেতিয়াবা বেদানাৰ মন যায় যেন তাক তাই শোৱা খাটখনৰ একাষতে শুই থাকিবলৈ ক'ব, – কিন্তু ক'ব নোৱাৰিলে। লাজ আৰু ভয়ে তাইৰ ডিঙিত ভেটি ধৰে।

আজি বেদানাই ভাবিলে– তাইৰ কাৰণেই মমতাজৰ জ্বৰ উঠিছে! তাইৰ বেয়া লাগিল।

লাহে লাহে বেদানাই তাৰ কপালখন পিটিকি দিব ধৰিলে। চকু দুটা মুদি মমতাজ পৰি থাকিল।

"মোৰ গাটো খুব বিষাইছে, জ্বৰ হ'লে মোৰ গা সদায় বিষায় –" মমতাজে ক'লে। টান কাম কৰা মানুহৰ গা বেমাৰত বিষায়।

বেদানাই একো নেমাতিলে। মমতাজৰ হাতখন হাতৰ মাজত লৈ বেদানাই পিটিকি দিব ধৰিলে।

"তুমি চাহ খোৱাগৈ যোৱা –" আবেলি হোৱা দেখি চকু মেলি চাই মমতাজে ক'লে।

"তুমিও এটোপা খাবা নে?"

"এটোপা সুদা পানী খাম –"

বেদানা তাৰ কাষৰ পৰা উঠি গ'ল।

গধূলি চাকিটো জ্বলাই বেদানা তাৰ কাষতে বহিল, আৰু তাৰ হাতৰোৰ টানি দিব ধৰিলে। তাৰ জ্বৰ কিন্তু ক্ৰমাৎ বেছিহে হৈ আহিল। তাৰ হাত-মূৰ পিটিকি দিয়াৰ বাহিৰে অন্য কি কৰিব বেদানাই ভাবি নেপালে। মাজে মাজে বেদানাই পানী খাব নে সোধে, কিবা খাব নে সোধে, গাত কাপোৰ দিব নে সোধে, আৰু একেথৰে তাৰ মুখলৈ চাই থাকে।

ভালেমান ৰাতি এবাৰ চকু মেলি চাই, কাষতে বহি থকা বেদানাক মমতাজে ক'লে, "তুমি শোৱা নাই বেদানা?"

বেদানাই তাৰ মুখলৈ চালে, একো নক'লে।

"তুমি ভাত খালা নে বেদানা?"

"ওঁ, খালোঁ।"

"কেতিয়ানো খালা? ভাতনো বহালা কেতিয়া?"

"তুমি ক'বই নোৱাৰা, মই বহালোঁও, খালোঁও –"

সি অলপ মনে মনে থাকিল।

"তুমি শোৱা বেদানা, এনেয়ে মিছাতে টোপনি খতি নকৰিবা –"

"বাৰু শুম –" সৰুকৈ বেদানাই ক'লে।

হঠাৎ মমতাজৰ মনত পৰিল, বেদানাৰ বিছনাত যে সি শুই আছে। কঠখনৰ বাহিৰে আৰু বিছনা সিহঁতৰ নাই।

জ্বৰৰ গাৰেই মমতাজে বিছনাতে হঠাৎ বহি দিলে। "এ বহিলা কেলেই শুই থাকা –" ব্যস্ত হৈ বেদানাই তাক ধৰি আকৌ শুৱাই দিয়াৰ চেষ্টা কৰিলে।

"তুমি শোৱা বেদানা, মই সউ তাতে শুম, – ৰাতি বহুত হ'ল, তুমি কিমান বহি থাকিবা।"

মমতাজ বিছনাৰ পৰা নামিব খুজিলে।

"ইস্, তুমি শোৱাচোন। মোৰ অকণো টোপনি অহা নাই, – টোপনি আহিলে মই শুম নহয় –"

"শুবা? ক'ত শুবা? তোমাৰ বিছনাত যে মই পৰি আছোঁ –"

"হওক বাৰু, মই শুম, – তুমি তাৰ কথা ভাবিব নেলাগে। শোৱা –"

প্ৰায় জোৰ কৰিয়েই বেদানাই মমতাজক আকৌ শুৱাই দিলে। সি শুলে– যেন বৰ অস্বস্তিৰেই সি পৰি থাকিল। বেদানাই তাৰ গাৰ কাপোৰ ঠিক কৰি দিলে।

লাহে লাহে বেদানাৰ মুখলৈ চাই সি ক'লে, "মই হাস্পতাললৈকে যাওঁগৈ বেদানা। আগেয়েতো সদায় বেমাৰ পৰিলে হাস্পতাললৈকে যাওঁ –"

"মই কাৰ লগত থাকিম?" বেদানাই ক'লে, আৰু তাৰ মুখলৈ চালে।

"তুমি, এৰা বেদানা। মই গ'লে তুমি কাৰ লগত থাকিবা –"

সি মনে মনে থাকিল। কিবা এটা ভাবিলে, তাৰ পিছত ক'লে,– "নহয় বেদানা, মই ইয়াত বেমাৰ পৰি থাকিলে, তোমাৰ বহুত কষ্ট হ'ব। হাস্পতালত পৰি থাকিম, ডাক্তৰে চাব, দাৰাই দিব– তোমাৰ কোনো দিগদাৰি নহয়। ইয়াতনো তুমি দাৰাইকে কেনেকৈ পাবা –"

বেদানাই এবাৰ তাৰ কথাবোৰ ভাবিলে। সঁচা কথা, সিহঁতৰতো আৰু কোনো নাই, ডাক্তৰক খবৰ দিবলৈকে বা যাব কোন? বেদানা নিজে? তাই কেনেকৈ যাব? তাইতো একো চিনি নেপায়! অথচ ঔষধ-পাতি নকৰিলেও মমতাজে বহুত কষ্ট ভুগিব লাগিব। কিবা এটা ঠিক কৰি বেদানাই ক'ব খোজোঁতেই আকৌ মমতাজে ক'লে, "নহয় বেদানা, হাস্পতাললৈ গুচি গ'লে তোমাৰ বৰ দুখ হ'ব। অকলে তুমি কেনেকৈ থাকিবা। নেলাগে, মই ঘৰতে থাকিম, মোৰনো কি ডাঙৰ বেমাৰ হৈছে। জ্বৰহে, কিজানি কাইলৈকে এৰি দিব –"

বেদানা অলপ বিমোৰত পৰিল। মমতাজ হাস্পতাললৈ গুচি গ'লে, তাই অকলশৰীয়া হ'ব; তাৰ উপৰি তাৰ অকণো শুশ্ৰূষা তাই কৰিবলৈ নেপাব, আৰু মমতাজক ঘৰতে ৰাখি থ'লে তাৰ ঔষধ-পাতিৰ কোনো ব্যৱস্থা বেদানাই কৰিব নোৱাৰিব। তাই মাথোন তাক চাই থাকিব পাৰিব।

হঠাৎ কিবা এটা ভাবি ঠিক কৰি বেদানাই যেন বহুত সাহস পালে। তাৰ হাতখন হাতৰ মাজত লৈ বেদানাই ক'লে, "নেলাগে যাব তুমি হাস্পতাললৈ। মই তোমাক এৰি নিদিওঁ –"

"তোমাৰ যে বহুত কষ্ট হ'ব –" দুৰ্বল মাতেৰে সি ক'লে আৰু বেদানাৰ মুখলৈ চালে।

"তুমি নেথাকিলে যে আৰু বেছি কষ্ট হ'ব –" বেদানাই ক'লে। মমতাজে একো নেভাবিলে, আকৌ চকু দুটা মুদি পৰি থাকিল।

ৰাতিপুৱা চকু দুটা মেলি মমতাজে দেখিলে তাৰ বুকুৰ কাষতে বিছনাখনতে বহি বেদানাই টোপনিয়াই আছে।

"বেদানা –" সৰুকৈ সি মাতিলে।

বেদানাই চকু দুটা মোহাৰি সুধিলে, "কি? কিবা লাগিব?"

"তুমি আজি নুশুলা?"

অলপ হাঁহি বেদানাই ক'লে, "ক'তনো শুম?" মমতাজ অলপ পৰ মনে মনে থাকিল– "অ' – লাহে লাহে সি ক'লে, "এইখিনিতে দেখোন শুই থাকিব পাৰিলাহেঁতেন। ইমান ডোখৰ ঠাই আছিল।"

বেদানাই একো নক'লে। ওঁঠ দুটাৰ ওপৰেদি এটা করুণ হাঁহিৰ বেখা বাগৰি গ'ল।

গাখীৰ দিবলৈ অহা গুৱালটোৰ হতুৱাই বেদানাই খবৰ দিলে, ডাক্তৰ আহিবলৈ। সিহঁতৰ অৱস্থাটো বুজি গুৱালটোৱেও নোৱাৰোঁ নুবুলিলে। মমতাজৰ অনুৰোধত সি চফুৰ দোকানীকো তাৰ জ্বৰৰ খবৰটো দিলেগৈ। ডাক্তৰৰ ঘৰলৈ যোৱা বাটতে চফুৰৰ ঘৰ।

চফুৰ আহিল। বেদানা অলপ আঁতৰি গ'ল। মমতাজে ক'লে, "এটিন বালি পঠাই দিবা, – অলপ চেনি, দুখন কম্বল ... আৰু কিবা কিবি –"

চফুৰ যোৱাৰ অলপ পৰৰ পিছত ডাক্তৰ আহিল। তেওঁৰ চাইকেলখন আগফালে বেৰতে আঁউজাই থৈ ডাক্তৰ ভিতৰলৈকে সোমাই আহিল। বেদানা সিটো কোঠালৈ সোমাই গৈ বেৰৰ বিন্ধাইদি চাই থাকিল।

ডাক্তৰক অহা দেখি মমতাজ বিছনাতে বহিব খুজিলে। ডাক্তৰে মানা কৰি শুই থাকিবলৈ দিলে। মমতাজৰ ঘৰৰ চকী-মেজ একো নাই। ডাক্তৰে তাক চালে। থাৰ্মমিটাৰ দি জ্বৰটো জুখি চালে, জিভাখন চালে, হাতৰ পালচ্ বিট চালে, তাৰ পিছত হাঁহি ক'লে, "মই দাৱাই পঠিয়াই দিম। একো ভয় নাই। অলপ জ্বৰ– দুদিনতে এৰিব।"

"ছাৰ, দাৱাই আনিবলৈ যাবলৈ কোনো নাই।"

"কোনো নাই? অ' বাৰু, – মই চাওঁ, যদি পাৰোঁ চকীদাৰটোৰ হাততে দি পঠাম।"

"গাটো খুব বিষাইছে ছাৰ– "

"মই বুজিছোঁ –"

ডাক্তৰ যাবলৈ ওলাল। মমতাজে চিঞৰি উঠিল, "বেদানা, অ' বেদানা ছাৰক টকা দিব লাগিছিল নহয় –"

বেৰখনৰ সিপাৰৰ পৰা বেদানাই সৰুকৈ ক'লে, "গাৰুৰ তলতে আছে –"

গাৰুৰ তলত বিচাৰি নেপাই মমতাজে ক'লে, "তুমিয়ে চাই দিয়াহিচোন, মই বিচাৰি নেপাওঁ –"

অগত্যা লাজত কুঁচি-মুচি বেদানা আহিল, আৰু গাৰুৰ তলৰ পৰা টকা দুটা উলিয়াই মমতাজৰ হাতত দিলে। ডাক্তৰে বেদানাৰ মুখলৈ চালে।

"মোক দিলে কি হ'ব, ছাৰৰ হাততে দিয়া –"

মমতাজৰ হাতৰ পৰা টকা দুটা লৈ চকু-কাণ মুদি বেদানাই টকা দুটা ডাক্তৰৰ ফালে আগবঢ়ালে। গহীন এটি হাঁহি মাৰি ডাক্তৰে ল'লে আৰু ক'লে, "বাৰু এতিয়া যাওঁ, আকৌ আবেলি এবাৰ পাৰিলে আহিম।"

মমতাজ আৰু বেদানা দুয়োৰে চকুত কৃতজ্ঞতা। ডাক্তৰে চকীদাৰৰ হাতত এবটল ঔষধ পঠাই দিলে।

ডাক্তৰ নিতৌ আহে– পুৱা, আবেলি, আৰু আবেলি নোৱাৰিলে ৰাতি। ভালেমান পৰ মমতাজক চাই-মেলি যায়গৈ। মমতাজৰ কথামতে বেদানাই ডাক্তৰৰ হাতত গৰম পানী ঢালি দিয়ে, হাত ধুই, জেপৰ কমালখনেৰেই মোহাৰি ডাক্তৰ যায়গৈ। পইচা নিবিচাৰে। ...

চাৰি দিনৰ মূৰত মমতাজৰ জ্বৰ এৰিলে। সি এইকেদিনৰ জ্বৰতে বৰ খীণালে আৰু বহুত দুৰ্বল হ'ল। তাৰ কাৰণে খাটি খাটি বেদানাও বহুত খীণাই গ'ল। মমতাজে বেদানাৰ মুখখনলৈ চালে, – করুণ, শ্ৰান্ত, ধুনীয়া মুখখন, বেদানাক সি কাষলৈ মাতিলে। তাৰ বেদানাক মৰম কৰিবৰ মন গ'ল।

"– বেদানা –"

ধুনীয়া চকু দুটিৰে বেদানাই তাৰ চকুলৈ চালে। "মোৰ বৰ টান জ্বৰ হৈছিল নহয় নে?"

"ওঁ –"

"তুমি নোহোৱা হ'লে মই মৰি গ'লোঁহেঁতেন –"

"ধেৎ –"

"সঁচাকৈয়ে বেদানা। মৰিলে মোৰনো কি হানি আছিল।"

"মই?"

"সেই কাৰণেইতো মই নমৰিলোঁ। তোমাৰ কাৰণেই মই নমৰাকৈ থাকিলোঁ।"

বেদানাৰ মুখখন ৰঙা পৰিল।

"ডাক্তৰ বৰ ভাল মানুহ নহয় নে বেদানা। আমাক কিমান মৰম কৰিলে। অন্য ডাক্তৰ হোৱা হ'লে, এবাৰতকৈ বেছি নাহেই, এওঁ চোৱাচোন কিমানবাৰ আহিল। নিজেই আকৌ দাৱায়ো লৈ আহে।"

বেদানাই একো নেমাতিলে। এবাৰ মাথোন ডাক্তৰৰ বগা, গঢ়িত মুখখন মনত পেলালে। মনত পৰি তাই নিজেই লাজ পালে।

"তেওঁৰ বাপেকো ডাক্তৰ আছিল। নহ'লে ইমান কম বয়সতে এওঁ এনেকুৱা ভাল ডাক্তৰ ক'ৰ হ'লহেঁতেন।"

লাহে লাহে বেদানাই মমতাজৰ আঙুলিবোৰ টানি দিয়ে। ...

"মমতাজ আছা নে?"

"নাই।"

"ক'লৈ গ'ল?"

"কাৰখানালৈ গ'ল –"

"অ' মই পাহৰিছিলোঁৱেই। বাৰু, নোসোমাওঁ – যাওঁ। তেওঁৰ এতিয়া ভাল নহয়?"

নোসোমাওঁ বুলিও চাইকেলৰ পৰা নামি ডাক্তৰ সোমাই আহে। বেদানাৰ বিছনাখনতে বহে, আৰু কোন ফালে গৈছিল কয়। বেদানাই বেগাবেগীকৈ এটোপা

চাহ কৰি আনি দিয়ে। ডাক্তৰে খায়। তাৰ পিছত যাওঁ যাওঁ কৰি বহি থাকি ভালেমান পৰৰ মূৰত যায়গৈ।

বেদানাৰ সকলো সঙ্কোচ ভাগি গৈছে।

লাহে লাহে দিনবোৰ পাৰ হৈ যায়।

বেমাৰৰ পিছতে মমতাজে এখন তক্তাপোচ্ কৰালে, এখন চকী কিনি আনিলে, এখন সৰু মেজো কৰিলে। সি নতুন কামিজো এটা ল'লে।

মমতাজ কাৰখানালৈ যোৱাৰ পিছত ডাক্তৰ প্ৰায়ে তাৰ ঘৰলৈ আহে, আৰু বেদানাৰ লগত নানা কথা পাতি, সি আহিবৰ সময় হ'লে যায়গৈ। ডাক্তৰ ডেকা, অবিবাহিত চৌবিশ-পঁচিশ বছৰীয়া। বেদানাই বুজি পোৱা-নোপোৱা বহুত কথা ডাক্তৰে কয়– এনাটমিৰ কথা, নাৰ্ভাচ্ চিষ্টেমৰ কথা, ডিচেক্চন্ আৰু ভিভিচেক্চনৰ কথা, পুৰুষৰ দেহা আৰু তিৰোতাৰ দেহাৰ বিভিন্নতাৰ কথা। বেদানাই ডাক্তৰৰ মুখলৈ একেথৰে চাই থাকি সকলো শুনি যায়। মাজে মাজে হাঁহে, মাজে মাজে লাজত ৰঙা পৰি তলমূৰ কৰে।

মমতাজে ক'ব নোৱাৰে।

বেদানাৰ কাৰণে সি এযোৰ সৰু, ধুনীয়া ইয়েৰিং গঢ়ায়, এডাল চেইন গঢ়ায়, বজাৰ কৰে আৰু বান্ধনি-শালত জুইৰ ওচৰত বহি বেদানাৰ মুখখনলৈ চাই থাকে।

কেতিয়াবা কাৰখানাৰ পৰা ঘূৰি আহোঁতে সি ডাক্তৰক লগ পায়। সি এটা কৃতজ্ঞ চালাম দিয়ে, আৰু কোনফালে গৈছিল সুধি, অলপ হাঁহি কয়, "আমাৰ ঘৰৰ ফালে কেতিয়াবা যাবচোন ছাৰ –"

"সময়েই নাই দেখোনহে –" কৈ কৈ ডাক্তৰ যায়গৈ।

সৰু পিছফালডোখৰৰ কোমল বননিবোৰৰ ওপৰতে কঠখন পাৰি মমতাজ আৰু বেদানা বহে। চাৰিওফালে ধুনীয়া বগা, কোমল জোনাক। দুয়ো ওচৰা-উচৰিকৈ বহি দূৰৰ আকাশখনৰ ফালে চাই থাকে। নীলা আকাশখনো জোনাকত ৰূপালী হৈ উঠিছে। সিহঁতৰ গা চুই, কোমল নিঃশব্দ বতাহজাক ক'ৰবালৈ উৰি যায়। বেদানাৰ খোপাৰ পৰা সুলকি দুডালমান মিহি চুলি বতাহত উৰে। চুলিবোৰ ভাল গোন্ধায়।

চাৰিওপিনে নীৰৱতা। সকলো মানুহ শুইছে। কোনো কোলাহল সিহঁতৰ কাণত নপৰে। ক'ৰবাত বহুত দূৰত কোনোবাই বাঁহী বজায়, তাৰ মিঠা, দীঘল সুৰটো আহি সিহঁতৰ কাণত পৰেহি।

বেদানাই মমতাজৰ মুখলৈ ঘূৰি চায়। সিও চায়।

"আমাৰ কাৰখানাৰ ৰামেশ্বৰে বজাইছে –" সি কয়।

আকৌ দুয়ো মনে মনে থাকে।

বতাহজাকত এটা পাতল উষ্ণতা ওপঙি আছে। বেদানা যেন অলপ বিহ্বল হয়। তাই ভৰি দুখন বননিৰ ফালে মেলি কঠখনৰ ওপৰতে ওপৰলৈ মুখকৈ শুই পৰে। তাইৰ মূৰটো মমতাজৰ আঁঠুত লাগে। মমতাজে বেদানাৰ মুখলৈ চায়, আৰু লাহে লাহে মূৰটো কঠৰ পৰা নিজৰ কোলালৈ তুলি লয়। বেদানাই কোনো আপত্তি নকৰে।

অৱশভাৱে লাহী হাত দুখন বেদানাই কঠখনৰ ওপৰত এৰি দি পৰি থাকে। জোনাকবোৰ আহি বেদানাৰ বগা মুখখনৰ ওপৰত পৰেহি। পাতল বতাহজাকত আৰু বেদানাৰ অসাৱধানতাত, বেদানাৰ বুকুৰ পাতল চাদৰখন খহি গৈ বননিত পৰেগৈ। জোনাকবোৰে আহি বেদানাৰ ধুনীয়া বুকুখনৰ মাজত লুকাবৰ কাৰণে ঠাই বিচাৰি ফুৰে!

লাহে লাহে মমতাজে বেদানাৰ কোমল চুলিবোৰ মোহাৰি দিয়ে।

মমতাজৰ ভাল লাগে। বেদানাক লগত লৈ তাৰ কোনোবা এটা প্ৰচিন যুগৰ মাজলৈ ঘূৰি যোৱা যেন লাগে। কোনো নাই, সি আৰু বেদানা, জোনাক আৰু বতাহ। চাৰিওফালে নীলা পাহাৰৰ মাজত কোমল, সেউজীয়া ঘাঁহে-ঢকা সৰু উপত্যকা এটাত যেন পৰি আছে, সি আৰু বেদানা। কোমল বতাহজাকৰ পৰা সৰি পৰিছে উষ্ণ মৰম, শান্ত চেনেহ, আৰু শুভ্ৰ জোনাক।

মমতাজৰ বহুত কথা বুজি পোৱা যেন লাগে। সি বেদানাৰ মুখখনলৈ চায়, আৰু বৰ সৰুকৈ, বৰ মৰম লগাকৈ মাতে "বেদানা –"

বেদানাই ধুনীয়াকৈ হাঁহে। গালৰ ৰেখাবোৰত জোনাকৰ শীতল পোহৰ পৰে।

তাইৰ চকু দুটা ধুনীয়া!

লাহে লাহে সোঁ-হাতখনেৰে ডিঙিটোত মেৰাই ধৰি, বেদানাই মমতাজৰ মুখখন নিজৰ মুখৰ ওচৰলৈ চপাই আনে।

ৰামেশ্বৰৰ বাঁহীৰ কঁপা, দীঘল সুৰটো তেতিয়াও বতাহত বহুত দূৰলৈ উৰি যায়–!

সিহঁতৰ পুৱাবোৰ নতুন পোহৰত পোহৰ হয়, সিহঁতৰ সন্ধিয়াবোৰ নতুন ৰঙেৰে হেঙুলীয়া হয়, সিহঁতৰ ৰাতিবোৰ ধুনীয়া আন্ধাৰেৰে নিবিড় হয়। সিহঁতে বহুত নতুন কথা পাতে, বহুত পুৰণি কথা পাহৰি যায়। সিহঁতে আকাশলৈ চাবলৈ শিকে, ডাৱৰলৈ চাবলৈ শিকে, বননিবোৰ ধুনীয়া দেখিবলৈ শিকে। ...

বহুত ৰাতি টোপনিৰ পৰা সাৰ পাই মমতাজে শুনে অলপ আঁতৰৰ সিখন বিছনাত বেদানাৰ টোপনি-যোৱা দোহাটোৰ উশাহ-নিশাহৰ শান্ত, গভীৰ শব্দ। সেই আন্ধাৰৰ মাজেদিয়ে বিছনাতে এবাৰ বহি তাৰ বেদানাৰ মুখখন চাবৰ মন যায়। সি আকৌ মনে মনে শুই থাকে।

পৱিত্ৰতাৰ তুষাৰ-শুভ্ৰ আৱৰণখনে সিহঁতক নিবিড় অৱচেতনাৰ মাজত ডুবাই ৰাখে।

....

মাজে মাজে একোবাৰ বতাহ ছাটি ভিতৰলৈকে সোমাই আহে। বেৰৰ মাজৰ ফিঙ্কাবোৰেদি, দুৱাৰৰ ফাঁকেদি, বৰষুণমিহলি বতাহজাক ভিতৰলৈ সোমাই আহি ভিতৰখনত ঘূমুটিয়াই ফুৰি আকৌ ওলাই যায়। কেৰাচিনৰ সৰু চাকিটো নুমাও নুমাও কৰি কোনোমতে জ্বলি থাকে।

নীৰৱে বহি থাকে, বেদানা আৰু মমতাজ। বাহিৰত ঘন, গভীৰ আন্ধাৰ; বৰষুণ, বিজুলী আৰু অবিশ্ৰাম মেঘৰ গাজনি। সিহঁতৰ ঘৰৰ চালত বৰষুণ পৰাৰ জৰ্ জৰ্ শব্দ হয়, ক'ৰবাত মেঘৰ গাজনিৰ লগত আকাশ খহি পৰাৰ শব্দ হয়।

চকু এনেয়ে ডাঙৰকৈ মেলি, দুয়ো কাণ সজাগ কৰি মমতাজ আৰু বেদানা বহি থাকে। বিজুলীৰ একো ছাটি পোহৰ আহি কেতিয়াবা সিহঁতৰ ভিতৰো সোমায়হি। সিহঁতৰ চকু মুদ খাই যায়।

"বেদানা —"

"কি?"

নীৰৱ ...

"বেদানা —"

"হোঁ?"

"বৰ ডাঙৰ বৰষুণ দিছে —"

দুয়ো আকৌ মনে মনে থাকে। জৰ্জৰ্ কৰি সিহঁতৰ ঘৰৰ চালৰ পৰা পানীবোৰ তললৈ বাগৰি পৰে।

বতাহজাক বুকুত লাগি অলপ জাৰ লাগিয়ে নে কি, বেদানাই চাদৰখন ভালকৈ টানি লয়। চাকিটোৰ পোহৰবোৰ কঁপে। মাজে মাজে বেদানাৰ চুলিবোৰ উৰি আহি মমতাজৰ গালে-মুখে লাগেহি।

আন্ধাৰ ৰাতিৰ গভীৰ নীৰৱতা, অবিৰাম বৰষুণৰ উদাস, করুণ জৰ্জৰ্ সুৰ, সেমেকা বতাহৰ হিঙা, উদ্‌ভ্ৰান্ত সোঁ সোঁৱনি, — তাৰ মাজত, দুৱাৰ-মৰা সিহঁতৰ সৰু ঘৰটোৰ মাজত সিহঁত মনে মনে বহি থাকে। চকুত গভীৰ চাৱনি, বুকুত শান্ত, অবুজ, গভীৰ আবেগৰ অপ্ৰকাশিত ধুমুহা!

ক'ৰবাত, সেই নীৰৱতাৰ মাজতে যেন এটা গভীৰ কোলাহল উঠিছে, বৰষুণজাকৰ সিপাৰে, কোনোবা এখন প্ৰচিন ৰাজবাৰীৰ বনৰীয়া গছ-বনবোৰৰ মাজত কোনে যেন এটা উকমি তুলিছে!

"বেদানা —" শান্ত গভীৰ মাতেৰে মমতাজে মাতে।

"কি?" তাতোকৈ গভীৰ, তাতোকৈ সেমেকা মাতেৰে বেদানাই কয় আৰু ডাঙৰ, ধুনীয়া চকু দুটি দাঙি মমতাজৰ মুখলৈ চায়।

"আমাৰ ফুলজোপা বৰষুণজাকে ভাঙি পেলাব নে কি?" মমতাজে সোধে।

"বৰষুণে নেভাঙে; ভাঙে যদি বতাহেহে ভাঙিব।" বেদানাই কয় আৰু বাহিৰৰ বতাহজাকলৈ কাণ দিয়ে।

কেইদিনমান আগতে মমতাজে তগৰ ফুলৰ পুলি এটা আনি পিছফালে ক'ইছেহি।

মমতাজে বেদানাৰ হাতখন তাৰ হাতৰ মাজত লয় আৰু মাতে "বেদানা–?"

"হোঁ?"

"মোৰ আৰু কোনো নাই —" বৰ লাহে লাহে সি কয়।

বেদানাই একো নেমাতে।

"মোৰ আৰু সঁচাকৈয়ে কোনো নাই, ক'তো নাই।"

বেদানাই তাৰ চকুলৈ প্ৰাণৰ সকলো মৰম সানি চায় আৰু কয়, "মোৰো কোনো নাই —"

বতাহজাকত চাকিটো হঠাৎ নুমাই থাকে। আকাশৰ পৰা জৰ্জৰ্ কৰি বৰষুণবোৰ পৰি থাকে, অবিশ্ৰান্ত, অবিৰাম —

★★★

সেইদিনা ৰাতি ভাত খাই উঠি মমতাজ আহি তাৰ খাটখনতে বহিল। বেদানায়ো কাঁহী-বাটি সামৰি থৈ আহি তাৰ বিছনাতে বহিল।

"মোক অহা মাহৰ পৰা ১০ অনাকৈ দিব —" যথেষ্ট হৰষেৰেই মমতাজে ক'লে।

"অ —" চুটিকৈ বেদানাই ক'লে।

হঠাৎ তাৰ চকীখনত চকু পৰিল।

"আৰু এখন চকী কিনিব লাগে, নহয় নে বেদানা?"

"এৰা —"

দুয়ো অলপ পৰ মনে মনে থাকিল। কিছুপৰ উচ্‌পিচাই, অলপ ভয় আৰু অলপ লাজেৰে, তেনেই সৰু মাতেৰে, লাহে লাহে বেদানাই ক'লে, "ডাক্তৰে মোক বিয়া কৰাম বুলি কৈছে —"

মমতাজে যেন একো বুজিব নোৱাৰিলে। সি ডাঙৰকৈ চকু দুটা মেলি বেদানাৰ মুখলৈ চাই সুধিলে– "কি বেদানা?"

আগতকৈ অলপ ডাঙৰ মাতেৰে বেদানাই আকৌ ক'লে, "ডাক্তৰে কৈছে, তেওঁ হেনো মোক বিয়া কৰাব।"

হঠাৎ মমতাজৰ ক'লা মুখখন একেবাৰেই শেঁতা পৰি বগা হৈ গ'ল! সি অনুভৱ কৰিলে যেন হঠাৎ তাৰ ভৰিৰ তলৰ পৰা পৃথিৱীখন খহি পৰি ভাগি চূৰ্ণচাত্ হৈ গ'ল।

অলপ পৰ নীৰৱতাৰ পাছত কোনো মতে নিজক চেতন কৰি সি ক'লে, "কোন ডাক্তৰে?"

"তোমাৰ যে বেমাৰ চাইছিলে —"

আকৌ মমতাজ মনে মনে থাকিল। সি যেন একো বুজিব নোৱাৰিলে।

"কেতিয়া ক'লে।"

"ক'বৰ কেইবাদিনো হ'ল।"

"তোমাক ক'ত লগ পালে?"

"তেওঁ আহিছিল –"

মমতাজে আৰু একো সুধিব নোৱাৰিলে। সি ক'বই নোৱাৰাকৈ তাৰ চকু দুটা মুদ খাই আহিল, তাৰ মূৰটো ঘূৰোৱা যেন লাগিল, লাহে লাহে চিত হৈ সি বিছনাখনতে শুই পৰিল।

হঠাৎ ভালেমান পৰৰ মূৰত যেন অলপ চেতনা পাই সি শোৱাৰ পৰাই ক'লে, "পিছত তুমি কি ক'লা?"

"তোমাক সুধিম বুলি ক'লো –" বেদানাই ক'লে আৰু তাৰ মুখলৈ, হয়তো তাৰ উত্তৰৰ কাৰণেই চালে।

হঠাৎ সি বিছনাতে বহি পৰিল, আৰু প্ৰায় চিঞৰিয়ে ক'লে, "মোক সুধিব লাগিছে কিয় বেদানা? মোক সুধিবলৈ কিটো আছে!"

মাতটো আৰু ডাঙৰ কৰি সি প্ৰায় চিৎকাৰ কৰি কৈ গ'ল, "মই অকলে থাকিব পাৰিম! কিয় নোৱাৰিম? তুমি ডাক্তৰক ক'বা বেদানা যে মই বৰ আনন্দ পাইছো, মই খুব আনন্দ পাইছোঁ, – মই খুব –" হঠাৎ তাৰ মাতটো বন্ধ হৈ গ'ল, হৰ্ হৰ্ কৰে তাৰ বুকু ভাঙি কান্দোন ওলাই আহিল। জৰ্জৰ্ কৰে তাৰ চকুৰ পৰা পানীবোৰ বাগৰি আহিল। সি আকৌ বিছনাত পৰিল।

বিছনাত ওপৰলৈ মুকে পৰি অস্ফুট মাতেৰে সি বিৰ্ বিৰ্ কৰি কৈ গ'ল, "মোৰ কোনো দুখ নহয়, মই অকলেই থাকিব পাৰিম। মই অকলেই থাকিম। তুমি যাবা বেদানা – ডাক্তৰ বৰ ভাল মানুহ, তেওঁ তোমাক বিয়া কৰিব, তেওঁ তোমাক বিয়া কৰিব ..."

ৰাতিৰ নীৰৱতা আৰু তাৰ মৰ্মন্তুদ শ্ৰান্তিৰ বুকুত মুখৰ মাত ক্ৰমে বেছি অস্পষ্ট হৈ আহিল। বিভা, উদাস বতাহজাকত মাথোন ওপঙি ফুৰিলে এটা করুণ গভীৰ আৰ্তসুৰ, "মোৰ কোনো দুখ নহয়, মই অকলে থাকিব পাৰিম।"

পিছদিনা শুই উঠি মমতাজ চকুৰৰ দোকানলৈ গ'ল আৰু বেদানাৰ কাৰণে ভালেমান দামী মেখেলা-চাদৰ কিনিলে।

দোকানত যিহকে দেখিলে, তাকে সি কিনি ডাঙৰ টোপোলাটো পিঠিত বান্ধি লৈ আহিল।

"ইমানবোৰ বস্তু কিনি তোমাৰ পইচাকেইটা কেলেই মিছাতে শেষ কৰিছা?" বেদানাই ক'লে, আৰু কাপোৰ আৰু অন্যান্য বস্তুবোৰ এটা এটাকৈ চাই গ'ল।

"পইচানো মোক কেলেই? কোনে খাবলৈ –?" সি ক'লে আৰু ঘৰৰ পৰা ওলাই গ'ল। সি সোণাৰিৰ তাঁলৈ গ'ল আৰু এযোৰ বালা কিনি আনিলে। বালাযোৰ সি বেদানাৰ হাতত পিন্ধাই দিলে। তাৰ পিছত চকীখনতে বহি বেদানালৈ চাই লাহে লাহে ক'লে, "মোৰ বৰ আনন্দ লাগিছে বেদানা। তোমাক দিবলৈ মোৰ একো নাই।

তুমি বেয়া নাপাবা দেই, – মই অকলশৰেই থাকিব পাৰিম, মোৰ কোনো দুখ নহয় ..."

আকৌ তাৰ কণ্ঠৰুদ্ধ হৈ আহিল। অলপ পৰ মনে মনে থাকি সি ক'লে, "তোমাক বিয়া দিবলৈ মোৰ কোনো যোত্ৰ নাই বেদানা! যদি মন যায় আজিয়ে তুমি যাবাগৈ। মই ডাক্তৰক তোমাক লৈ যাবলৈ ক'ম।

বেদানাই তাৰ মুখলৈ চালে। তাই আচৰিত হৈ গ'ল। মমতাজৰ মুখখন শুকাই ছাই হৈ গৈছে। দুয়ো চকুৰ পৰা ধাৰাসাৰে লোতক বাগৰি আহি তাৰ কামিজটোত পৰিছেগৈ, বেদানাৰ চকু দুটাও চুলচুলীয়া হৈ আহিল। ...

কাৰখানাৰ পৰা উলটি অহাঁতে তাৰ ঘৰৰ কালৰ পৰা এখন মটৰ তাৰ কাষেদি লাহে লাহে পাৰ হৈ গ'ল। সি চকু তুলি চাই দেখিলে ডাক্তৰৰ লগত বেদানা! আকৌ সি খোজ ল'লে।

তাৰ ঘৰৰ বন্ধ দুৱাৰখনৰ মূৰত বৈ কাহানিবাই মাটি-তেলেৰে লিখা নামটো সি এবাৰ পঢ়িলে, "– বেদানা"

তাৰ বুকুৰ মাজৰ পৰা এটা হুমুনিয়াহ ওলাই আহিল।

হেঁচা মাৰি দুৱাৰখন মেলি সি ভিতৰলৈ সোমাই গ'ল। প্ৰথমতে সি যেন তাৰ ভিতৰখনত একো নেদেখিলে। সি চকীখনতে বহি পৰিল। এবাৰ বেদানাই সামৰি থৈ যোৱা বিছনাখনৰ ফালে চালে।

সি বহাৰ পৰা উঠিল আৰু সিটো কোঠালৈ গ'ল। কঁঠী-বাটিবোৰ ভালকৈ মাজি-কাচি জাপি থোৱা আছে। আখাটোত একো নাই– জুই নোহোৱা অলপমান ফুটছাই পৰি আছে।

সি তাৰ পৰাও ওলাই আহিল। তাৰ বিছনাখনৰ ওপৰত দেখিলে, সি এদিন বেদানাক গা ধুই সলাবলৈ দিয়া তাৰ ধুতীখন আৰু গেঞ্জিটো। সি এবাৰ চালে। তাৰ পিছত আনি তাৰ ভগা টিনৰ চুটকেছটোত সুমুৱাই থ'লে।

তাৰ ডিঙিটো একেবাৰে শুকাই গৈছিল। সি আকৌ আহি চকীখনতে বহিল, আৰু প্ৰায় শুনাকৈয়ে ক'লে, "বেদানা, মোৰ বৰ পিয়াহ লাগিছে –"

হঠাৎ নিজৰ মাতটোত নিজেই উচাপ্ খাই সি চকীৰ পৰা উঠিল। তাৰ হাত দুখন এবাৰ চালে, দুয়ো হাতত কাৰখানাৰ ক'লা তেল।

ঘৰটোৰ পৰা সি বাহিৰ ওলাই আহিল। দুৱাৰখন বন্ধ কৰিবলৈ ধৰি আকৌ তাৰ চকুত পৰিল– মাটি-তেলেৰে লিখা তিনিটা আখৰ– 'বে দা না'

আখৰকেটাৰ ফালে কিছুপৰ একেথৰে চাই থাকি সি তাতে থিয় দি থাকিল, তাৰ পিছত তাৰ হাতৰ আঙুলিত লাগি থকা তেলবোৰেৰে লাহে লাহে দুটা আখৰ লিখিলে, 'নাই!'

সি এবাৰ অলপ আঁতৰি আহিল, আৰু দুৱাৰৰ লিখাটো ফুটায়ে পঢ়িলে– ‘বেদানা নাই –!’

তাৰ পিছত সি আলিবাটত উঠিল আৰু ইয়াচিন হোটেলৱালাৰ হোটেলৰ ফালে খোজ দিলে।

তাৰ বৰ পিয়াহ লাগিছিল।